চান্দমামা

অকট'বাৰ ১৯৯০



JUNIOR
QUEST
NOW with the added fun of SPUTNIK Junior!
JUNIOR QUEST
Where finding out is fun
Zoom behind the scenes with Batman!
Marvel at the fiery sun!
Get set for the Beijing Asiad!
incorporating
Selections from Sputnik Junior!.
* Colourfully illustrated stories and cartoons.
* Superb science fiction
* Entertainment and general knowledge
64 packed pages!
At just Rs. 5/-
Sputnik Junior
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies,
Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A Chandamama Vijaya Combines publication

"मेरि" गोल्ड कवरिंग गहने अपनी श्रेष्ठता, अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियाँ की सारी स्त्रियों के दिलों में शाश्वत जगह पाये हैं । आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये । वि.पि.पि. द्वारा भेजा जायेगा । मुफ्त केटलाग के लिये आज ही हमें लिखिये, ।



MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET
T.NAGAR, MADRAS - 600 017, PHONE: 444671

চান্দমামা

*

অকট'বাৰ ১৯৯০

এই * আছে

সংখ্যাত

*

উভতি চোৰাৰ এয়েহে সময়	:	৭
শ্ৰীহত শ্ৰীলংকা	:	৯
শ্ৰেষ্ঠ জানন্তা	:	১১
দস্যু যুৱৰাজ	:	১৭
চৰিত্ৰ	:	২৫
অন্ধ চৰকাৰ	:	৩১
জ্ঞান-ভাণ্ডাৰ	:	৩৩
শ্ৰীৰামকৃষ্ণ পৰমহংস-৩	:	৩৭
পুণ্যৰ পণ্য	:	৪১
বীৰ হনুমান	:	৪৫
যদি পায় কলিয়ে	:	৫৩
নেত্ৰদৰ্শী	:	৫৭
অতি বিনয়	:	৬০
প্ৰকৃতিৰ বিস্ময়	:	৬৩

*

চান্দমামা

খনে : ৩'০০ বছৰেকীয়া বৰঙণি ৩৬'০০টকা মাথোন

MAGGI CLUBBERS FUN LOVERS MAGGI CLUB
লজ অফ দা জাংগ্‌ল গেম
স্নেপ
ছাফাৰি গেম
মেগী ক্লাবঃ আহা লওঁ বনৰ আনন্দ!
তোমাৰ উপহাৰবোৰ পাবা বিনামূল্যে!
মেগী নুডল্সৰ 5 টা খালি পেকেটৰ
সমুখৰফালৰ পৰা এই চিহ্নটো কটা আৰু তোমাৰ পচন্দৰ যিকোনো এটা উপহাৰ বিনামূল্যে পাবৰ বাবে আমালৈ পঠাই দিয়া। প্ৰতিটো উপহাৰৰ বাবে এনে পাঁচটাকৈ চিহ্ন পঠাবা। তুমি 6ৰ পৰা 8 সপ্তাহৰ ভিতৰতে মেগী ক্লাবৰ পৰা ৰং তামাচাৰে ভৰা মনোমোহা উপহাৰটো পাবা।
মনত ৰাখিবা ঃ
যদিহে তুমি মেগী ক্লাবৰ সদস্য হোৱা নাই তেন্তে আমালৈ লিখোতে তুমি বিচৰা উপহাৰৰ নামটো সহ নিজৰ নাম আৰু ঠিকনা জনাবলৈ নাপাহৰিবা। তুমি যদি মেগী ক্লাবৰ সদস্য তেন্তে সদস্য নম্বৰটোও জনাবলৈ নাপাহৰিবা।
ডিজনী টুডে কমিক
'ফৰেষ্ট ফেচেজ' কেপ আৰু মাস্ক
MAGGI 2-minute noodles
আমাৰ ঠিকনা ঃ দা মেগী ক্লাব,
পোষ্ট বক্স 5788, নিউ দিল্লী-110055
জাংগ্‌ল ষ্টেন্‌ডীজ ছে'ট
5679ASS

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

উভতি চোৱাৰ এয়েহে সময় !

আমাৰ ভাৰতবৰ্ষ সুপ্ৰাচীন তথা মহাউন্নত সভ্যতাৰ ধাৰক-বাহক। কিন্তু আমাৰ আজিৰ অৱস্থানো কেনেকুৱা ? আমাৰ দেশত বিজ্ঞানৰ মেধা আছে. যন্ত্ৰ-নিপুণ কৰ্মী আছে, তেওঁলোকে আনকি বিদেশতো সুনামৰে সৈতে প্ৰতিভা প্ৰদৰ্শন কৰি আছে। আমাৰ দেশৰ নাগৰিক আইনৰ ফলৰপৰা সমদৃষ্টিসম্পন্ন। প্ৰাকৃতিক ফালৰপৰা আমাৰ দেশ পৃথিৱীত অতুলনীয়। উৰ্বৰ মাটি, জীৱনদায়ী নদ-নদী, খনিজ দ্ৰব্যাদিৰে ভৰপূৰ।

কিন্তু তথাপি কিয় আমাৰ ৰাষ্ট্ৰীয় জীৱনধাৰাত ইমান বিশৃংখল অৱস্থা ? পৰাধীনতাৰ নাগপাশ গুচিবৰ তেচল্লিহ বছৰ উকলিল ; তথাপি কিয় কানোফালে আমাৰ বাঞ্ছিত প্ৰগতি নাহিল ?

আমি যে আজি বহুবিধৰ অন্যায় স্বাৰ্থৰ চিকাৰ হৈ পৰিছোঁ. সেই কথা অভ্ৰান্তভাবে সত্য। সমষ্টিগত স্বাৰ্থলৈ সম্পূৰ্ণ আওকাণ কৰি আমি ব্যক্তিগত স্বাৰ্থৰ পিনেহে ঢাপলি মেলিছোঁ। আমি ন্যায়-পৰৱশ নহৈ অন্যায়-পৰৱশ হৈছোঁ। বিভিন্ন অন্যায় অপকৰ্মৰ ডাৱৰে আমাক ছানি ধৰিছে। আমাৰ চাৰিওফালে অন্ধকাৰ।

আত্ম-শুদ্ধিলৈ উভতি চোৱাৰ এয়েহে সময় !

বছৰ : ১৫   অকট'বাৰ ১৯৯০   **সংখ্যা : ৭**

খনে : ৩'০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬'০০ টকা

যিয়েই খায়, বন্ধু হৈ যায়!
নিষ্ঠু-দন্দুৰা, গেবেলা-লেবেলা, দীঘলা-কঁটীয়া ... সকলোকে বন্ধু
কৰি তোলে নতুন হাজমোলা কেন্ডীৰ টেঙা-মিঠা সোৱাদে।
নকৰিবই বা কিয়, এই নতুন কেন্ডীবোৰৰ কথাই-বেলেগ। এইবোৰ
সৰু সৰু পিল' পেকত পোৱা যায়। খেলিবলৈকে যোঁৱা বা
ফুৰিবলৈকে যোৱাঁ –সকলো সময়তে লগত
লৈ ফুৰিব পাৰি। পাৰ্টি, পিকনিক, ঘৰ বা
আনকি স্কুলতো এই নতুন হাজমোলা
কেন্ডীৰ টেঙা-মিঠা সোৱাদ নিজেও
লোঁৱা আৰু আনকো দিয়া আৰু সকলো
বন্ধু হৈ যোৱাঁ।
নতুন
টেঙা-মিঠা
Hajmola®
CANDY
Hajmola
CANDY
everest/d90/DIL/265 as

শ্ৰীহত শ্ৰীলংকা

‘মহাবংশ’ নামৰ গ্ৰন্থত থকা-বক্তব্য মতে ঃ সুদূৰ অতীতত পূৰ্বভাৰতৰপৰা ৰাজকোঁৱৰ বিজয়সিংহ সদলবলে শ্ৰীলংকালৈ গৈছিল। বিজয়সিংহই দক্ষিণ ভাৰতৰ মাদুৰাইৰ পাণ্ড্য-ৰাজকুঁৱৰীক আৰু তেওঁৰ সাতশ অনুচৰেও মাদুৰাইৰ সাতশ ছোৱালীক বিয়া কাৰলে। বিজয়সিংহৰ নামৰপৰাই ৰামায়ণত উক্ত ‘লংকা’ একদা ‘সিংহল, নাম ধাৰণ কৰিছিল বুলি কোৱা হয়।

তামিলনাডুৰ দক্ষিণ সাগৰ-তটৰপৰা শ্ৰীলংকাৰ দূৰত্ব মাত্ৰ ২০ মাইল। এই ভৌগোলিক সুবিধাহেতুকেই, দক্ষিণ ভাৰতীয়, বিশেষকৈ তামিল ভাষাভাষী লোকসকল অধিক সংখ্যাত সিংহলদ্বীপলৈ অৰ্থাৎ শ্ৰীলংকালৈ গৈছিল। একাদশ শতিকাত চোল বংশীয় ৰজাসকলে শ্ৰীলংকাত ৮০ বছৰ কাল ৰাজত্ব কৰিছিল।

*

উনবিংশ শতিকাত শ্ৰীলংকাৰ চাহ বাগিচাত কাম কৰিবলৈ প্ৰচুৰসংখ্যক তামিল মানুহ-মুনিহ গৈছিল আৰু কাল ক্ৰমে শ্ৰীলংকাৰ অধিবাসী হৈ পৰিছিল।

*

কিন্তু কিছুকালৰ অন্তত সিংহল বা শ্ৰীলংকাৰ পূৰ্বোত্তৰ দিশত অৱস্থিত জাফনাৰ তামিলসকলে কিছু অস্বাচ্ছন্দ্য বোধ কৰিলে। তেওঁলোকে চৰকাৰৰপৰা যথোচিত ব্যৱহাৰ নোপোৱা বুলি উপলব্ধি কৰা হ'ল। শ্ৰীলংকাৰ চৰকাৰে 'সিংহলী' সকলৰ প্ৰতি পক্ষপাতিতা প্ৰদৰ্শন কৰি থাকিল। আৰু এই পক্ষপাতিত্বয়েই এদিন মাতি লৈ আহিল তামিলৰ 'বিদ্ৰোহ'।

*

আৰু সেই বিদ্ৰোহৰ পৰিণামত ধ্বনি উঠিল "তামিল-'ইলম'লাগে" অৰ্থাৎ তামিল লোকসকলৰ বাবে স্বতন্ত্ৰ দেশ লাগে।

কিন্তু ইমান ক্ষুদ্ৰ দ্বীপ এটিৰ বিভাজনলৈ বিশ্বৰ কোনেও সমৰ্থন নিদিয়া হ'ল। তাৰ পাছত শ্ৰীলংকাৰ তামিল-অধ্যুষিত স্থানত ভাৰতৰ সমৰ্থনত তামিল-চৰকাৰ স্থানীয়ভাৱে প্ৰতিষ্ঠিত হ'ল আৰু ভাৰতৰ-পৰা পঠোৱা 'শান্তি সৈন্য' দলেও সেই ঠাইত শান্তিৰক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ল।

*

কিন্তু এই ঘটনাৰ ইমানতে অন্ত নপৰিল। এল. টি. টি. ই (তামিল ইলম মুক্তি-ফৌজ) নামৰ উগ্ৰবাদী দলে এই নিৰ্বাচিত চৰকাৰৰ বিৰোধিতা কৰা হ'ল। এই ভূখণ্ডৰ অধিকাৰ একমাত্ৰ এই উগ্ৰবাদী দলকহে লাগে। ক'বলৈ গ'লে তামিলে-তামিলেই লাগিল।

*

চৰকাৰত থকা প্ৰচুৰ সংখ্যক তামিল নেতা প্ৰাণৰ ভয়তে ভাৰতলৈ পলাই আহিল। কিন্তু তামিলসকলৰদ্বাৰা গঠিত হ'লেও কোনো উগ্ৰবাদী দললৈ ভাৰত চৰকাৰে বা ভাৰতৰ জনসাধাৰণে সমৰ্থন নজনায়।

*

শ্ৰীলংকাৰ চৰকাৰ আৰু উগ্ৰবাদী এল. টি. টি. ই-ৰ দাবীক্ৰমে ভাৰতে তাৰপৰা 'শান্তি সেনা' দল ওভোতাই আনিলে। আৰু তাৰ ফলত তাত এতিয়া পুনৰ অৰাজক অৱস্থাৰ সৃষ্টি হৈছে।



শ্ৰেষ্ঠ জানন্তা

বিশাল বেপাৰী আছিল কাঞ্চনপুৰীয়া মানুহ। বিশালৰ মাত্ৰ একেটি পো। নাম তাৰ বিমল। ৰাইজৰ বিশ্বাস— বিমলৰ মন-প্ৰাণ একেবাৰে সহজ-সৰল, কোনো পেঁচাল কথাত সি নাই। এই-বোৰত তাৰ মন-কাণো নাই।

এদিন দেউতাক বিশালে তেওঁৰ পুতেক বিমলক খঙতে গোৰগোৰাই উঠি ক'লে, "হেই, তই যে এটা ৰামবুদ্ধু জানিছনে নাই? তই দেখনে-দৰ্পণে মামাৰৰ দৰেই হৈছ; কিন্তু মামাৰৰ চতুৰ বুদ্ধিৰ চিকুটমানো পোৱা নাই তই।"

বিমলে দেউতাকৰ কথা শুনি খং নকৰি খন্দিয়াই সুধিব বুলি ভাবি মনে মনে থাকিল আৰু কি কেনেকৈ সুধিব— তাকে ভাবি থাকিল। কিন্তু বিমলে একো সুধিবলৈ নৌপাওঁতেই দেউতাক বিশালে পুনৰ কৈ উঠিল, "শুন, তোৰ মামাৰৰ গাঁৱৰপৰা আধা ক্ৰোশমান নিলগত ইন্দিৰাপুৰ গাঁও। তাৰপৰা যে আমি সস্তা দামত জলকীয়া আৰু তেঁতেলী আনো, জানই। কিন্তু তোমাৰ মামাৰে এইবাৰ এতিয়ালৈকো মাল-বস্তু পঠোৱা নাই। কিয় পঠোৱা নাই—সেই কথা খৰচি মাৰি জানি আহাগৈ। লগত কিছুখিনি টকাও লৈ যাবা, আৰু বস্তুৰ দাম বাঢ়িবনে কি তাকো সুধি আহিবা।"

পাছদিনাই বিমল তাৰ মোমায়েকৰ ঘৰলৈ বুলি ৰাওণা হ'ল। প্ৰায় মুনি-চুনিতে মোমায়েকৰ ঘৰ পালেগৈ বিমলে। তেতিয়া চাকিৰ পোহৰত মোমায়েকৰ ছোৱালী উষাজনীয়ে কিতাপ পঢ়ি

ললিতা লোহন



আছিল। বিমলৰ খোজৰ শব্দ উঠাত তাই কিতাপৰপৰা মূৰ দাঙি চালে। তাই বিমলক আদৰি আনি আথেবেথে বহিবলৈ দিলে আৰু সকলোৰে কুশল-বাতৰি সুধিলে।

উষাৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ অন্তত বিমলে ঘৰৰ ইফালে-সিফালে চাই ক'লে, "ঘৰত—আন কোনো নাই নে কি?"

উষাই বিমলৰ প্ৰশ্নৰ উত্তৰত ক'লে, "হয়, নাই। বিয়া খাবলৈ গ'ল।

বিমলে গা-পা ধুলে। উষাই বিমলক ভাত খাবলৈ দিলে। ঠিক তেতিয়াই ঘৰৰ দুৱাৰ খুলি এজনী বুঢ়ী সোমাই আহিল।

উষাই মিঠাকৈ হাঁহিৰে বুঢ়ী মানুহজনীক বহিবলৈ ক'লে। বুঢ়ীয়ে সুধিলে, "উষা, মাৰা আহিলনে বিয়া খাই?"

"এতিয়ালৈকো নাই অহা, আইতা। আহিবৰ হ'লেই আৰু। আপোনাক কিবা লাগেনে?" উষাই কোমল মাতেৰে সুধিলে।

বুঢ়ীজনীয়ে অ্যগন্তুক বিমললৈ চালে আৰু তাৰ পাছত লাহেকৈ ক'লে, "গাঁৱৰ-পৰা ললিতাই তাইৰ ল'ৰাটোক লগত লৈ আহিল। ঘৰত চেনি—একেবাৰে নোহোৱা হ'ল।"

"বাৰু, লৈ যাওক।" উষা পাকঘৰত সোমাল আৰু লগে লগে ওলায়ো আহিল। উষাই বুঢ়ী মানুহজনীকে এটেমা চেনি দিলে।

বুঢ়ী মানুহজনীয়ে উষাৰ গায়ে-মূৰে হাত ফুৰাই ক'লে, "ৰক্ষা কৰিলা, আই। উদ্ধাৰ কৰিলা মোক।"

বুঢ়ী মানুহজনী গুচি যোৱাৰ অন্তত বিমলে উষাক ক'লে, "শুনিছিলোঁ যে—মামা বৰ হুঁচিয়াৰ মানুহ। মামাৰ হুঁচিয়াৰী আৰু চাতুৰী—তোমাৰ গাতো থকা যেন পাইছোঁ। এইজনী বুঢ়ী নিশ্চয় দুখীয়া। তেনেহ'লেনে—কি কাৰণে ইমানখিনি চেনি দিলা? এইখিনি নিশ্চয় ঘূৰাই নোপোৱা? তেন্তে — কিহৰ আশাৰে

দিলানো ? মই একেবাৰে বুজা নাই।"

বিমলৰ কথা শুনি হাঁহি হাঁহি উষাই কিবা ক'বলৈ লওঁতেই দামী- দামী গহনা সাজ-পাৰ পিন্ধা থুলন্তৰ আন এগৰাকী মহিলা সোমাই আহিল। মহিলাগৰাকীয়ে বিমলৰ ভৰিৰপৰা মূৰলৈকে চালে আৰু তাৰ পাছত ভুকু কোঁচাই সুধিলে, "এওঁ ক'ৰ ?" সুধিয়েই চকি এখনত ধুপুচকৈ বহি কামৰি কঢ়া দি উশাহ কাঢ়িলে।

উষাই পুনৰ কিবা কোৱাৰ আগতেই থুলন্তৰ মহিলাগৰাকীয়ে পুনৰ পানী খোৱা মিৰিকামাছৰ দৰে বুৰবুৰনি কাঢ়ি কৈ উঠিল, "তোমাৰ মাৰা— ?"

"নাই অহা উভতি।" তাৰ পাছত উষাই আকৌ সুধিলে, "আপুনি — তেওঁক—কিবা—ক'ব ?"

"কাইলৈ' ৰাতিপুৱাতে তোমাৰ মামাৰৰ বন্ধু এজন আহিবৰ কথা আছে। তেওঁৰ কাৰণে লাড়ু আৰু জেলেপি বনাব লাগিব। ইপিনে—ঘৰত চেনি বোলোঁতে নাই। দোকানৰপৰা অনাবলৈকো পাহৰিলোঁ। তুমি যদি তুসেৰমান চেনি দিয়া, কালিলৈৰ কামটো কথমপি সামৰিব পাৰিম।" থুলন্তৰ মহিলাই ক'লে।

"কিনো কওঁ পেহীদেউ, চেনি আমাৰো একেবাৰেই নাই যে নায়েই। আমাৰো কালিলৈহে অনোৱা হ'ব।" উষাই ঠাইতে আৰামকৈ বহি দিলে।

শুনি—পৰৰ ওপৰত পচলা কুটিবলৈ অহা থুলন্তৰীয়ে খোকাথুকি মাতেৰে ক'লে, "ঠী—ঠি—ঠিক আছে, আন ক'বাত চেষ্টা কৰি চা—চা—চ্চাওঁগৈ।"

থুলন্তৰী যেতিয়া থপৰ থপৰ কৰে গুচি গ'ল, তেতিয়া উষাই হাঁহি মাৰি বিমলক ক'লে, "দেখিলাই নহয়, ঘটনা-চক্ৰত তোমাৰ কথাৰ উত্তৰ নিজে নিজেই পাই গ'লা।"

কিন্তু উষাৰ এই কথাৰ অৰ্থ বিমলে একো ঠাৰৰ কৰিব নোৱাৰি সুধিলে, "মই

দেখোন তোমাৰ কথা বুজা নাই।"

"তোমাৰ কথাৰ উত্তৰ পাছত দিম। প্ৰথমে মোৰ কথাৰ উত্তৰ দিয়া। সেই আইতাক চেনি ধাৰলৈ দিয়াটো উচিত হোৱা নাই বুলি তুমি ভাবিছিলা। এতিয়া —মই এইগৰাকী মহিলাক চেনি নিদিয়া হ'লোঁ। মোৰ এই কাম উচিত হৈছেনে?" উষাই হাঁহি হাঁহি বিমলক সুধিলে।

"তুমি যে এইগৰাকী ভদ্ৰমহিলাক চেনি নিদিবা—মই কিন্তু ভবাই নাছিলোঁ। ক'ত সেই বুঢ়ী আৰু ক'ত ভদ্ৰমহিলা! বুঢ়ী হ'ল দুখুনী আৰু এওঁ হ'ল মহাধনী। দোকানৰপৰা চেনি অনাবলৈ পাহৰি থাকিল। তুমি যে চেনি থকা সত্বেও নিদিলা, কথাটোত মই বেয়াহে পাইছোঁ। ইপিনে——যিজনী বুঢ়ীক দিলা—সেই-জনীয়ে তোমাক সেই চেনি কেতিয়াও কিন্তু ঘূৰাই নিদিয়ে।" বিমলে ক'লে।

উষাই হাঁহিলে আৰু ক'লে, "ৰাইজে কয়—তুমি পাক নলগোৱা কথা একেবাৰে নুবুজা, সহজ-সৰল মানুহ। কিয় কয়—এতিয়াহে বুজিলোঁ।"

শুনি বিমল লাজতে ৰঙা-চিঙা পৰিল।

বিমলে সুধিলে, "কিন্তু—মোৰ ক'ত ভুল হৈছে—আঙুলিয়াই দেখুৱা।"

তেতিয়া উষাই ক'লে, "তেনেহ'লে শুনা আচল কথা। বুঢ়ী আইতা দুখুনী হয়; কিন্তু তেওঁ সদায় বস্তু ধাৰলৈ খুজি নাহে। কাচিৎ-কেতিয়াবাহে আহে। আৰু—কিবা বস্তু ধাৰলৈ লোৱাৰ পাছৰে-পৰাই পৰিশোধ কৰিব নোৱাৰালৈকে তেওঁৰ মন-প্ৰাণ অস্থিৰ হৈ থাকে। আৰু তোমাৰ এই—মহাধনী-থুলন্তৰী? তেওঁৰ সদায়েই ইটো-সিটো বহুতো কিবাকিবি লাগেই। আৰু ঘূৰাই দিয়াৰ কথা বাদেই দিয়া—খুজিলেও তেওঁৰ খং কি চাবা! কাজিয়াথন নলগোৱালৈকে তেওঁৰ কলিজাত জুই জ্বলি থাকে যেন পাওঁ। —দুজনীৰ মাজত এয়ে হ'ল পাৰ্থক্য।"

বিমলে ক'লে, "অ'—এই কথা! মইনো অতবোৰ কথা কেনেকৈ জানিম?"

"জানিব নোৱাৰিলেও বুজিব লাগিব। বুদ্ধিৰে বুজ ল'ব লাগিব।" উষাই বিমলৰ কথাৰ উত্তৰত ক'লে, "দেউতাৰ দোকানত নানান ধৰণৰ গ্ৰাহক আহে, কাৰোবাক খোজা মাত্ৰকে বস্তু ধাৰলৈ দিয়ে, আকৌ কাৰোবাক কোনোপধ্যেই নিদিয়া হয়। —কেৱল বেপাৰীসকলেই নহয়, কাক কি কৰিব লাগিব-নালাগিব, তাৰ বুজ-বিবেচনা আমিও অতি প্ৰাজ্ঞতাৰে জানিব লাগিব।"

উষাৰ কথাখিনিয়ে বিমলক বাৰুকৈ প্ৰভাৱিত কৰা হ'ল। বিমলে উষাক লাহেকৈ ক'লে, "উষা, মই বোধ কৰোঁ ইমান দিন—চকু থাকিও খালত পৰা বিধৰহে হৈ আছিলোঁ। যি কি নহওক—এতিয়া আমাৰ মাজত বন্ধুতা হ'ব নালাগে জানো?"

উষাই বিমললৈ চাই মিচিকীয়াই হাঁহি মাৰি এজো নমতাকৈ মাথোন মূৰটিহে দুপিয়ালে।

তেতিয়া বিমলে ক'লে, "তেনে-হ'লে—কথা এটা ভাবি চোৱা। তুমি নিশ্চয় জানা যে মই চালাক-চতুৰো নহওঁ আৰু কূট-কৌশলো বৰ নাজানো-নুবুজোঁ। পিছে—তুমিয়েই ভাবাচোন—বন্ধুতাক যেতিয়া মানিয়েই লৈছা—কি কৰিব লাগিব তেতিয়া? যদি মোৰ বোলা—তেনেহ'লে মোক মোৰ মোৰ কৰিলেহে শুৱাব। আৰু তেনে কৰিবলৈ হ'লে তুমি—কি বোলেনে — তোমাকে জীৱন লগৰী কৰিম বুলি মনে মনে মোনাটো সি থ'ব লাগিব।

বিমলৰ কথা শুনি উষাজনী লাজতে কুঁচিমুচি হ'ল। ক্ষন্তেকৰ অন্তত তাই ক'লে, "বিমল, তুমি চালাক-চতুৰ নোহোৱা বুলি যিবিলাকে কোৱা হয়, সেইবিলাকে ভুলহে কৰে। তুমি যে কেনে ধুনীয়া

কৌশলৰে মোক বান্ধিলা! এই বন্ধন হ'ল নিছিগা বন্ধন। —ঠিক আছে, দেউতাক কি ক'ব লাগিব তুমিয়েই কোৱা।" এই বুলি কৈয়েই উষা ভিতৰ ঘৰলৈ গ'লগৈ।

অলপ সময়ৰ পাছত বিমলৰ মোমায়েক আহিল। দেউতাকে কৈ পঠোৱা কথাখিনি কোৱাৰ অন্তত মোমায়েকে ক'লে, "বিমল, তুমি দেউতাৰাক ক'বাগৈ যে—এইবাৰ খেতিয়কহঁতে পলমকৈ বস্তু দিয়াতহে পঠোৱাত পলম হৈছে। বস্তুৰ দাম বঢ়া নাই, একেই আছে।"

তেতিয়া বিমলে তাৰ মোমায়েকক ক'লে, "মামা, মই যদি আপোনাৰপৰা কিবা আপুৰুগীয়া বস্তু খোজোঁ। — সেই বস্তুটি দিবনে মোক?"

"আপুৰুগীয়া বস্তু? মোৰ ওচৰত? কথানো কি—?" মোমায়েকে জগপতিয়ে আচৰিত হৈ ভাগিন বিমলক সুধিলে।

তেতিয়া বিমলে উষাক বিয়া কৰোৱাৰ কথা জগপতিক ক'লে।

জগপতিয়ে হাঁহি মাৰি ক'লে, "বিমল —তুমি হ'লা কূট-কৌশল নজনা সহজ-সৰল। আৰু এই যে বেতেৰি-বন্ধায়াকৈ নকৈ সৰলভাবে নিজ মুখেৰেই সকলো ক'লা, তাৰেই তুমি জিকিলা। ওপৰি ওপৰি তোমাক ভেবা বুলি ভবাইহে ভাতে-হেঁচা।" এই বুলি কৈ জগপতিয়ে হেঃ হেঃকৈ হাঁহিবলৈ ধৰিলে।

তাৰ পাছত ঘৰলৈ উভতি আহি বিমলে তাৰ মাক-দেউতাককো নিজ মুখেৰেই ঘটনাৰ কথা সংহৰি বিবৰিলে।

বিমলৰ দেউতাক বিশালে তেওঁৰ পৰিবাৰক ক'লে, "মথিমন লোকসকলে কৈছে—সন্ধিৰ বাঁহ বুদ্ধিৰে কাটিব জনাইহে জগতৰ শ্ৰেষ্ঠ জানন্তা। আমাৰ বিমলৰো সমল কম নহয়। দেখাতহে সি সথাৰ টেমি, আচলতে সভা-শুৱনি।"



দস্যু যুৱৰাজ

১২

[আগ-কথা : অৱশেষত অৰণ্যত মুনি জয়ানন্দই শিক্ষাদান কৰি থকা তথা ডাঙৰ-দীঘল কৰি থকা পুত্ৰক মহাৰাজ শান্তিদেৱে দেখা পালে। কিন্তু মহাৰাজে নিলগৰপৰাহে নিজ-পুত্ৰক দেখা পালে। মুনি জয়ানন্দৰ পৰামৰ্শমতে ৰাজকুমাৰৰ সমুখত উপস্থিত হোৱাৰপৰা মহাৰাজ শান্তিদেৱ বিৰত হৈ থাকিল ; কিয়নো, তেতিয়া ৰাজকুমাৰৰ মনত বহু ধৰণৰ প্ৰশ্নৰ ঢৌ উঠিব, আৰু মুনিৰপৰা প্ৰাপ্ত শিক্ষা-দীক্ষা অনিবাৰ্য্যভাবে বাধাপ্ৰাপ্ত হ'ব। মহাৰাজে মুনিক বসন্তৰ কথা আৰু এই গভীৰ অৰণ্যত থকা বসন্তৰ লগৰীয়াইতৰ কথা বুজাই ক'লে। আৰু তাৰ পাছত··· ··]

চুবুৰীয়া ৰাজ্যখনক নিজৰ অধীন তথা পদানত কৰাৰ যি সপোন দেখি বীৰাজপা বীৰসিংহই মোচত তাও দিছিল. সেই সপোন দিঠক নহ'ল, মোচকোচা ওলমি পৰিল। কেলেহুৱা শান্তিপুৰীয়াইঁতে যে কি শিয়ালৰ শিং দেখা হ'ল, ৰজাৰ চিপাহীক সকলোতে বাধা দিব পৰাৰ দাঁত যে এই খেকাৰ-খোৱাইঁতৰ ক'ৰপৰা আহিল, কেনেকৈ যে এনেকৈ শিং ধৰাই থকা হ'ল—বহু ধৰণে ভাবিও বাৰ বৈৰীৰ কামোৰ খোৱা বীৰসিংহই সেইটি কথা কিন্তু একোপধ্যে ঠাৱৰ কৰিব নোৱাৰিলে।

বীৰসিংহই খঙতে নিজৰ মঙহ নিজেই খাবলৈ ধৰিলে আৰু খঙত অগ্নিশৰ্মাহেন হৈ তাৰ হৰমোহন সেনাপতি কামৰিকঢ়া কপালকণ্ঠক লপাথপা দিব বুলি জৰুৰী এতলা দি মতাই পঠিয়ালে।

এই বিদ্ৰোহী যুৱকইঁতৰ পাত্তা লগাবলৈ কাণ-মূৰ নাইকিয়া কেঁকোৰা কপালকণ্ঠই কম চেষ্টা কৰা নাছিল। কিন্তু ইইঁত—এই ৰজাকো দেও নোবোলা বিদ্ৰোহীইঁত—এই অটব্য অৰণ্যৰ ক'ত যে কেতিয়া কি কৌশল কৰি লুকাই থাকে, তাৰ উৰাদিহ বিচাৰি উলিয়াবৰ নহ'ল। কিমাননো বিচাৰি থাকিব? কপালকণ্ঠইঁত এই পিনেদি গৈ থাকিলে সেই বিদ্ৰোহীইঁত সৌপিনেদি ওলায়গৈ। দিনতো এন্ধাৰ হৈ থকা এনেহেন বাঘে পোৱালি পোৱা হাবিত এই বিৰিংগুটী ৰিহ-বৈৰী বিদ্ৰোহীইঁতক বিচাৰি পোৱা একোপধ্যেই সম্ভৱ নহয় বুলি কপালকণ্ঠৰ ধাৰণা হ'ল।

*

এই যুৱক-বিদ্ৰোহীসকলে বিভিন্ন ভেশ লৈ ঘূৰি ফুৰিছিল। অৰণ্যৰপৰা ওলাই আনকি ৰাজধানীৰ বাট-পথতো টহলি ফুৰিছিল। সেই কাৰণে—বিভিন্ন সূত্ৰৰপৰা ধূৰ্ত বীৰসিংহ-কপালকণ্ঠইঁতৰ আক্ৰমণৰ আগ-বতৰাও এওঁলোকে সহজেই পোৱা হৈছিল আৰু তাৰ ফলত বীৰসিংহৰ চিপাহীইঁতে আক্ৰমণলৈ বা এওঁলোকক ধৰা পেলাবলৈ ওলাোৰ ঢেৰ আগতেই এওঁলোক কফুৰৰ দৰে নোহোৱা হৈ পৰিছিল।

*

এইদৰেই চাওঁতে চাওঁতে প্ৰায় আঠ বছৰ পাৰ হওঁ হওঁ হ'ল। আৰু এসময়ৰ শান্তিৰ নিজৰা বৈ থোৱা শান্তিপুৰত ভয়ানক অশান্তিৰ তথা অপায়-অমংগলৰ সীমা নোহোৱা হ'ল। শান্তিপুৰীয়া ৰাইজৰ বিলৈৰ বিলৈ নোহোৱা হ'ল। তেওঁলোক বীৰাজপা বীৰসিংহৰ শাসনত অতিষ্ঠ হৈ উঠিল।

এদিন দুপৰীয়া পৰতে দীঘল দাঢ়ীয়া হাতত ত্ৰিশূল আৰু কমণ্ডলু লোৱা সাধু এজন কপালকণ্ঠৰ ঘাই সৈন্য-শিবিৰৰ দুৱাৰৰ অলপমান আঁতৰত বহিলহি। এই দীঘল দাঢ়ীয়া সাধুক দেখি সৈন্য-শিবিৰৰ প্ৰধান প্ৰহৰী ৰামাধাৰে এখোজ-দুখোজকৈ সাধুৰ ওচৰলৈ আহি সাষ্টাংগে প্ৰণাম কৰি, সাধুক সুধিলে, "সাধু মহাত্মা! আপোনাক কথা এটা সোধোঁ। দয়া কৰি এই নিঃকিনৰ ওপৰত খং-ৰাগ নকৰিব। কথা হ'ল—আপুনি বাৰু—হস্তৰেখাৰ বিচাৰো কৰেনে?"



"হয়, বৎস, কৰোঁ।" সাধুৱে গহীন কণ্ঠেৰে ৰামাধাৰক ক'লে।

শুনিয়েই ৰামাধাৰৰ মনত যেনিবা বাঁই-জাঁই লাগিল। সি সাধুবাবাক বিনম্ৰ মাতেৰে ক'লে, "তেনেহ'লে বাবা, আমাৰ ঘৰলৈ এবাৰ পদধূলা দিব লাগিল। বাব', নহয় বুলি নক'ব ত এই কিৰ্‌পাকণ নকৰিলেই নহ'ব।"

"ঠিক হ্যায়, বেটা। তোমাৰ অভীষ্ট সিদ্ধ হওক।" এই বুলি কৈ সাধুবাবা বহাৰপৰা উঠি থিয় হ'ল আৰু লগে লগে এটা বিস্ময়কৰ ঘটনা ঘটিল।

সাধুবাবা বহাৰপৰা উঠি থিয় হোৱাৰ লগে লগে সাধুবাবাৰ দীঘল দাঢ়িকোচা কেনেবাকৈ ত্ৰিশূলত লাগি ধৰিল আৰু তাৰ ফলত সাধুবাবাৰ মুখৰপৰা গোটেই দাঢ়িকোচা খহি পৰিল।

আৰু চকুৰ পচাৰতে সাধুবাবাই চোঁচা ল'লে। পিছে পিছে বীৰসিংহৰ ঘাই প্ৰহৰী ৰামাধাৰেও চোঁচা ল'লে আৰু চিঞৰিবলৈ ধৰিলে, "......ইয়াক ধৰা......ই শতুৰৰ চোৰাংচোৱা ··· ধৰা ইয়াক·· ক'ত কোন আছাহে—মোক ৰইক্ষা কৰা—সৌটোক ধৰা···ধৰা···।"

ঠিক তেতিয়াই ঘোঁৰাচোৰাৰী এজন তাত হঠাৎ ক'ৰবাৰপৰা উপস্থিত হ'ল। প্ৰধান প্ৰহৰী ৰামাধাৰে এই

ঘোঁৰাচোৰাৰীক দাঁত-মুখ কৰচি ক'লে, "কি ৰং চাই আছা—সৌটোক ধৰাগৈ। নহ'লে বীৰসিংহ ৰজাই তোমাকো নচঁচা শূলত দিব। আৰু এই বদমাছ সাধুটোক ধৰিব পাৰা যদি— আমাৰ বীৰসিংগ ৰজাই তোমাকো পালি-ৰজা বনাই দিব।"

ৰামাধাৰে ঘোঁৰা-চোৰাৰীক বীৰসিংহৰে কোনোবা এটা ভাবিছিল। কিন্তু সেই ঘোঁৰাচোৰাৰী আছিল সেই মুখাধাৰী বীৰ, অৰ্থাৎ স্বয়ং মহাৰাজ শান্তিদেৱ।

সৈন্য-শিবিৰৰ প্ৰধান প্ৰহৰী ৰামাধাৰে ঘোঁৰাচোৰাৰীক ডবিয়াই-হুমিয়াই ক'লে, "বৈ আছা কেলেই? জল্‌দি কৰা।"

ইতিমধ্যে প্ৰধান-প্ৰহৰী ৰামাধাৰৰ ঘোঁৰাটোও তাত লৈ অহা হৈছিল। ৰামাধাৰ জঁাপ মাৰি ঘোঁৰাৰ পিঠিত উঠিল। আৰু লগে লগে সৌকাৰে একোব শোধাই এই ঘোঁৰাচোৰাৰীয়ে ৰামাধাৰক তাৰ ঘোঁৰাৰ পিঠিৰপৰা তললৈ বগৰাই পেলালে আৰু পাছ মুহূৰ্ততে নিজৰ ঘোঁৰাটোক বিপৰীত মুৱা কৰি ঘোঁৰা-চোৰাৰী বিজুলী বেগেৰে তাৰপৰা নোহোৱা হৈ দিলে।

এৰা খোৰা কাঁড়ৰ দৰে গৈ গৈ ঘোঁৰাচোৰাৰীয়ে সেই দীঘল দঢ়ীয়া নকলী সাধুবাবাৰ একেবাৰে গাতে গা লগাই ঘচংকৈ বৈ দিলে।

ঘোঁৰাচোৰাৰী তথা মহাৰাজ শান্তিদেৱে ঘোঁৰাৰ পিঠিৰপৰা জঁাপ মাৰি নামিয়েই পলৱীয়া সাধুবাবাৰ বাহুত থাপ মাৰি ধৰি ক'লে, "জয় হওক সাধুবাবা, পিছে— ৰ'বা আৰু পলাব নালাগে—বসন্ত!"

"মহাৰাজ! আ — আপুনি! —" বসন্তৰ দুগাল তিয়াই আনন্দাশ্ৰু বৈ আহিল। বাক্‌ৰুদ্ধ বসন্তই পুনৰ ক'লে, "মহাৰাজ, আজি মই নিজেই বীৰসিংহৰ খা-খবৰ ল'বলৈ গৈ নিজৰ দোষতে নিজে বিপদত পৰিছিলোঁ। আপুনি মোক বাৰে বাৰে জীৱন দান দিছে। আপোনাৰ

দৰ্শনলাভো এক পৰম ভাগ্যৰ কথা!"

মহাৰাজ শান্তিদেৱে শান্ত কণ্ঠেৰে বসন্তক ক'লে, "বসন্ত, তোমাৰ ধৈৰ্য্য-সহ্য-সাহস — অত্যন্ত প্ৰশংসাৰ যোগ্য। আৰু—ৰাইজৰ সেৱা তোমাৰ জীৱনৰে অংগীভূত হৈ পৰিছে। কিন্তু এটা কথা সদায় মনত ৰাখিবা, মই যে জীৱিত, এই কথা—আনকি তোমাৰ সংগী-সহচৰ-সকলৰ আগতো কদাপি প্ৰকাশ নকৰিবা। তেতিয়া দুষ্ট বীৰসিংহই ৰাইজৰ ওপৰত চতুৰ্গুণ অত্যাচাৰ চলাব।"

"কিন্তু মহাৰাজ—" বসন্তই বিভ্ৰান্তৰ দৰে ক'লে, "কমেও ৰাইজৰ কাৰণে যুঁজি থকা যুৱকসকলে তেন্তে—কিহৰ প্ৰেৰণাৰে যুঁজি থাকিব? কাক আমি ৰজা পাতিম? আমাৰ লগত এগৰাকী ন্যায়পৰায়ণ তথা শান্তিপ্ৰিয় ৰজা আছে—এই চিন্তাই আমাক সদায় উদ্বুদ্ধ কৰে, প্ৰেৰণা যোগায়। তদুপৰি আৰুনো কিমানদিন আমি বদমাছ বীৰসিংহক সহ্য কৰিম? বীৰসিংহৰ অনুচৰবিলাকৰ লগত কিমাননো আৰু লুকা-ভাকু খেলি থাকিম? তাক এতিয়াই মুহূৰ্ততে পৱিত্ৰ সিংহাসনৰপৰা গুৰিয়াই পেলাব লাগে।"

ক্ষন্তেকমান চিন্তা কৰি মহাৰাজ শান্তিদেৱে ক'লে, "ঠিক, তোমাৰ কথা ঠিকেই। বীৰসিংহক এতিয়াই নমাব লাগে। তুমি অমৃতপুৰীয়া সৈন্যসকলৰ সহায় লৈ এই কাম কৰিবলৈ চেষ্টা কৰা।"

বসন্তই মহাৰাজ শান্তিদেৱৰ ভৰি চুই প্ৰণাম কৰিলে। শান্তিদেৱ গ'লগৈ।

*

এই নিশা পূৰ্ণিমাৰ নিশা। বসন্তৰ সংগী-সহচৰসকল গুপ্ত ঠাইত গোট খাইছেহি। এওঁলোকে মহাৰাজ শান্তিদেৱ অহালৈ বাট চাই আছিল; কিন্তু মহাৰাজ এতিয়ালৈকো আহি পোৱাহি নাই।

হঠাৎ এটা শব্দ উঠিল: 'বসন্ত'! কিন্তু তেতিয়ালৈকো কাকো তাত দেখা নগ'ল।

পুনৰ শুনা গ'ল : 'বসন্ত' !

এইবাৰ কিছু আঁতৰত গছৰ আঁৰত মহাৰাজ শান্তিদেৱক দেখা গ'ল। বসন্তই মহাৰাজক প্ৰণাম কৰিলেগৈ। মহাৰাজ শান্তিদেৱে বসন্তক ক'লে, "বসন্ত, এতিয়াই — এই মুহূৰ্ততে তোমালোক অৰণ্যৰপৰা ওলাই যোৱা। বীৰসিংহৰ সৈন্যইতে এই অৰণ্য চাৰিওফালৰপৰা আগুৰি ধৰিবহি। অৰণ্যৰপৰা ওলোৱা আটাইবিলাক বাট-পথ বন্ধ কৰিব। তোমালোকক মাৰি পেলাবলৈ সিহঁতে এই আঁচনি পাতিছে। এতিয়াও কপাল-কণ্ঠইঁত আহি পোৱাহি নাই ; কিন্তু পাবৰ হ'লেই। এই সামান্য সময়ৰ সদ্ব্যবহাৰ কৰিব লাগিব। তোমালোকে পূবফালেদি অৰণ্যৰপৰা ওলাই যোৱা। অলপো সময় নষ্ট নকৰিবা। এতিয়া—মুহূৰ্তও মূল্যৱান।"

বসন্তই অৱস্থাৰ বুজ লৈ মুহূৰ্ততে সক্ৰিয় হৈ উঠিল আৰু সংগী-সহচৰসকলক ক'লে, "বন্ধুসকল, এতিয়া আমাৰ মূৰৰ ওপৰত মহা বিপদৰ খড়্গ ওলমিছে। তোমালোকে এজন-দুজনকৈ পূব ফালেদি ওলাই পোনে পোনেই আমাৰ সেই সুৰক্ষিত ঠাইলৈ গুচি যোৱা।"

বসন্তৰ ইংগিতত সকলো যুৱকেই চকুৰ পচাৰতে অদৃশ্য হ'ল। বসন্ত মহাৰাজ শান্তিদেৱৰ ওচৰতে থিয় হৈ থাকিল।

"বসন্ত, তুমিও যোৱাগৈ।" মহাৰাজে বসন্তক ক'লে।

"মহাৰাজ, এনে অৱস্থাত আপোনাক অকলশৰে এৰি থৈ মই ক'লৈকো নাযাওঁ।" বসন্তই দৃঢ়তাৰে ক'লে।

এনেতে শত্ৰুসৈন্য অহাৰ শব্দ উঠিল। মহাৰাজ শান্তিদেৱে মুহূৰ্ততে খাপৰপৰা তৰোৱাল উলিয়ালে আৰু এই ফালেদি অৰণ্যলৈ সোমোৱাৰ বাট অৱৰোধ কৰিলে। মহাৰাজৰ পিছ ফালে বসন্ত থিয় হ'ল, কিয়নো — এই বাটছোৱা আছিল অতি ঠেক।

“আ——গ বাঢ়া!” কপালকণ্ঠই সৈন্যদলৰ পিছফালৰপৰা চিঞৰি উঠিল, “জংগলৰ ভিতৰলৈ সোমাই বেটাহঁতক য’তে পাবা তাতে কচুকটা দিবা। এই কুকুৰধূলি গাজলুহঁতক একেবাৰে গাজৰ-মূলা কটাদি ঘচং ঘচংকৈ কাটি থাকিবা।”

হাবিৰ অতি ঠেক বাটেদি গোঁফাল চিপাহী এটাই দুখোজমান দিয়াৰ লগে লগেই মহাৰাজ শান্তিদেৱে তাক গোৰ মাৰি বগৰাই পেলালে আৰু সি হায়ঔ বিঔ মৰিলোঁঔকৈ চিঞৰিবলৈ ধৰিলে।

বসন্তই গৰ্জি উঠি কপালকণ্ঠৰ তথা বীৰসিংহৰ সৈন্যহঁতক উদ্দেশি ক’লে, “তোমালোক অৰণ্যৰ ভিতৰ সোমাবলৈ চেষ্টা কৰিছা যদি—যমৰ আলহী হৈছা!”

“বসন্ত! এয়ে তোমাৰ জীৱনৰ শেষ নিশা। কেৱল শেষ নিশাই নহয়—এয়ে তোমাৰ জীৱনৰ শেষ মুহূৰ্ত। —” এই কথা চিঞৰি চিঞৰি কৈ কৈ কপালকণ্ঠ আগুৱাই আহিল। বাট অৱৰোধ কৰি থকা শত্ৰুৰ হাতত কোনো অস্ত্ৰ নাই বুলি কপালকণ্ঠই ভাবিছিল, কিয়নো—চিপাহীটোক শত্ৰুৱে গোৰ মাৰিহে বগৰাই পেলাইছিল। গতিকে—বসন্তক ধৰা পেলোৱাটো ভাত-মাছ খোৱাৰ কথা। আৰু বসন্ত জীয়াই জীয়াই ধৰি ছাল কাঢ়িব পৰা যায় যদি — বীৰসিংহয়ো তিনি জাঁপ নমৰাকৈ নাথাকে।

“কপালকণ্ঠ!” বসন্তই কৈ উঠিল, “আগতে নিজৰ জান্ বচোৱা, পাছত মোক মাৰিবা। যদি জীয়াই থকাৰ মন আছে, গুচি যোৱা।

কিন্তু তথাপি কপালকণ্ঠ আগ বাঢ়ি আহিল। কপালকণ্ঠই হঠাৎ যাঠি এপাট মাৰি পঠালে আৰু এই যাঠিপাট মহাৰাজ শান্তিদেৱৰ বুকুত বিদ্ধ হ’ল। জোনৰ চঞ্চা-ছন্দা পোহৰত বসন্তক ঘাইল কৰা বুলি ভাবি কপালকণ্ঠ প্ৰচণ্ড উলাহতে উন্মাদৰদৰে হা হাকৈ হাঁহি উঠিল।

বসন্তই গৰ্জি উঠি ক'লে, "ৰে পামৰ! নৰাধম! তই কি পাপ কৰিলি—জানিছনে? ল, তোৰ পাপৰ মাচুল ভালকৈ লৈ ল।" এই বুলি কৈয়েই বসন্তই কপালকণ্ঠৰ মূৰটো একেকোবে কাটি পেলোৱাত তাৰ চিপাহীবিলাকে ভয় খাই ফৰিংছিটিকা দিলে।

তেতিয়া বসন্তই মহাৰাজ শান্তিদেৱক কান্ধৰ ওপৰত পথালিকৈ লৈ এটা গুহাৰ ওচৰ পাই ৰ'ল আৰু সেই গুহাৰ ভিতৰতে মহাৰাজক লৈ গ'ল।

মহাৰাজ শান্তিদেৱে বসন্তক ক'লে, "বসন্ত! মোৰ মৃত্যুৰ ক্ষণ সমাগত। তুমি কিন্তু বীৰসিংহক ৰাজ্যৰপৰা নেখেদি জিৰণি নল'বা। তুমি পাৰিবা। মই কৈছোঁ, আশীৰ্বাদ কৰিছোঁ—তুমি পাৰিবা। আৰু শুনা, আমাৰ ৰাজকোঁৱৰ—মোৰ পুত্ৰ — মুনি এগৰাকীৰ ওচৰত আজিও জীয়াই আছে। ৰাণী কেতিয়াবাই স্বৰ্গী হ'ল—কিন্তু মুনিৰ ওচৰত সুৰক্ষিত কৰি থৈ গ'ল আমাৰ মৰমৰ, শান্তিপুৰীয়া প্ৰজা-ৰাইজৰ বাবে শান্তিপুৰ ৰাজ্যৰ উত্তৰাধিকাৰীক—। বসন্ত—তুমি নৰ'বা—তুমি নৰ'বা—দুষ্ট ষড়যন্ত্ৰী বীৰসিংহক তুমি খেদিবা—বধিবা—তুমি নৰ'বা!"

"আমাৰ—আমাৰ যুৱৰাজ জীৱিত!" বসন্তই উছাহৰ জোৰাৰত উটি গৈ থাকিল আৰু ক'লে, "মহাৰাজ! আমাৰ যুৱৰাজ জীৱিত—! নিশ্চয় আমি নৰ'ম, শান্তিপুৰ ৰাজ্যৰ প্ৰকৃত উত্তৰাধিকাৰী -- আমাৰ মৰমৰ যুৱৰাজক নিশ্চয় আমি সিংহাসনত অধিষ্ঠিত কৰিম—ধূৰ্ত বীৰসিংহক জহন্নামলৈ পঠাম—তেহে আমি ৰ'ম। —মহাৰাজ, আমাৰ যুৱৰাজ এতিয়া ক'ত আছে? ক'ত বিচাৰি পাম তেওঁক?"

মহাৰাজ শান্তিদেৱে শান্তকণ্ঠেৰে বসন্তক সকলো বিবৰি ৰাতিৰ শেষ প্ৰহৰত শান্তিৰে শেষ নিশ্বাস ত্যাগ কৰিলে। [আগলৈ

চৰিত্ৰ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা বিৰাট মৃতদেহটো গছৰ ডালৰপৰা নমাই আনি, পুনৰ ভয়ানক মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে বিক্ৰমাদিত্যক কৈ উঠিল, "হে ৰাজন্! কথাতে বোলে—খাই খাই লোভ আৰু কান্দি কান্দি কান্দি শোক। পোৱাই যিমানেই পায় তেওঁক আৰু লাগে। কিন্তু পোৱাৰ মাজত গভীৰ তাৎপৰ্য্য তথা অৰ্থবহতা নাথাকিলে যে কি হয়, তাৰ প্ৰকৃষ্ট উদাহৰণস্বৰূপে মই তোমাক 'দাপোণীয়া ৰূপম'ৰ কাহিনী কওঁ শুনা। এই কাহিনী শুনিলে তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলেঃ

'বেতাল-কথা'

ধৌলপুৰত দয়াৰাম নামৰ কোনোবা এজন মানুহ বাস কৰিছিল। অতিথি-পৰায়ণ ব্যক্তি হিচাপে দয়াৰাম সেই অঞ্চলত আৰু বহু দূৰ-দূৰণিলৈকো খ্যাত আছিল। অতিথি-বৎসল দয়াৰামক ৰাইজে 'আলহীয়া দয়াৰাম' বুলি কৈছিল। এই আলহী-পৰায়ণতা আছিল দয়াৰামৰ বিশেষ বিশেষত্ব, চৰিত্ৰৰ অংগ।

ৰূপম আছিল দয়াৰামৰ জোঁৱায়েক। 'শহুৰক দেখি উঠিল গা, ৰূপমে বোলে—মোকো চা'। শহুৰেক দয়াৰাম নামৰ দৈৱকীৰ গভুৰাক দেখি ৰূপমেও যশ-খ্যাতি পোৱাৰ আশাৰে দয়াৰামৰ দৰেই আলহীক সোধ-পোছ কৰিবলৈ ধৰিলে; কিন্তু দয়াৰামৰ খ্যাতি ৰূপমৰ নিমিলিল।

এদিন ৰূপমৰ ঘৰলৈ এগৰাকী সাধু আহিল। ৰূপমে সাধুগৰাকীক আথেবেথে বহুৱালে, সেৱা-যত্ন যথেষ্ট কৰিলে আৰু ইকথা-সিকথাৰ মাজত নিজৰ হতাশাৰ কথাটোও ক'লে।

ৰূপমৰ হতাশাৰ কথা শুনি সাধুৱে মিচিকীয়াই হাঁহি ক'লে, "চোৱা ৰূপম, তুমি নামলৈ-যশলৈ মুঠেই চিন্তা নকৰিবা। তোমাৰ সাধ্যে কুলায়মানে মানুহৰ কাৰণে যিমান পাৰা — কেৱল কৰিহে যাবা। কাৰো বাবে বৰ বেছিকৈ একো কৰিব নালাগে! যেতিয়া তোমাৰ কাম-কাজৰ দ্বাৰা লোকৰ পুষ্টি হ'ব, ঠিক তেতিয়াই তোমাৰো তুষ্টি হ'ব।"

কিন্তু সাধুৰ কথাত ৰূপমে অকণোকে ভাল নাপালে। ৰূপমে সাধুক ক'লে, "হে মহাত্মা, নিষ্কাম কৰ্ম কেৱল আপোনা-সৱেহে কৰিব পাৰে। আমাৰ নিচিনা নগণ্য মানুহে কৰ্মৰ অন্তৰালত কিবা প্ৰাপ্তি নথকা হ'লে সেই কৰ্ম দীৰ্ঘদিন ধৰি চলাই যোৱা টান। আপোনাৰ ওচৰত মোৰ প্ৰাৰ্থনা—মোৰ যশ-খ্যাতি হ'ব—দহো-ৰাইজে মোৰ কথা ক'ব—এনেকুৱা কিবা মোক দিব পাৰে যদি দিয়ক।"

সাধুৱে ৰূপমক এখন মায়া-দৰ্পণ দিলে আৰু ক'লে, "তোমাৰ ঘৰৰ যিটো কোঠাত আলহীসকল বহে, এই মায়া-দৰ্পণ সেইটো কোঠাত থৈ দিবা। প্ৰত্যেকেই নিজ নিজ মুখমণ্ডল এই মায়া-দৰ্পণত অতি সুন্দৰৰূপে দেখা পাব, আৰু পঞ্চমুখে- তোমাৰ দাপোণৰ, আৰু লগতে তোমাৰো গুণগান কৰিব। আনকি অতি কুৰূচ মুখো এই মায়া-দৰ্পণত অতি সুন্দৰ হৈ প্ৰতিবিম্বিত হ'ব।" এই বুলি কৈ, ৰূপমৰ হাতত দাপোণখন দি, সাধু তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।

তাৰ পাছত—সাধুৰ কথামতে ৰূপমে মায়া-দৰ্পখখণ আলহী-ৰখা কোঠাত থৈ দিলে আৰু সিদিনাৰপৰা ৰূপমৰ ঘৰলৈ অহা সকলোটিয়েই এই মায়া-দাপোণত নিজৰ মুখ অতি সুন্দৰৰূপে দেখা পাই বিমোহিত হ'বলৈ ধৰিলে।

আৰু ৰূপমৰ দাপোণৰ এনে ৰহস্যময় কথা একাণ-দুকাণ-সহস্ৰকাণ হৈ যেতিয়া সকলোতে বিয়পি পৰিল, তেতিয়া ৰূপমৰ ঘৰত আলহীৰ সংখ্যা অতি বাঢ়নে বাঢ়িল। আৰু সময়ৰ লগে লগে ৰাইজে 'আলহীয়া শহুৰৰ দাপোণীয়া জোঁৱাই' অৰ্থাৎ ৰূপমকো ৰাইজে 'দাপোণীয়া ৰূপম' বুলি ক'বলৈ ধৰিলে।

এনেহেন মায়া-দৰ্পণৰ কথা শুনি এদিন গাঁৱৰ জমিদাৰে দাপোণখনৰে সৈতে



"অ'—তুমি মিছা প্ৰচাৰ কৰি নাম কৰিব খুজিছা, নহয় ?" জমিদাৰে ৰূপমৰ মায়া-দাপোণখন দলিয়াই দিলে। কিন্তু কথা আচৰিতেই, দাপোণখন নাভাগিল। ৰূপমে দাপোণখন বুটলি লৈ ঘৰ পালেগৈ।

কিন্তু তাৰপাছতো ৰূপমৰ ঘৰলৈ যিবোৰ আলহী আহিল, তেওঁলোকে নিজৰ নিজৰ মুখ—অতি সুন্দৰ ৰূপেই ৰূপমৰ দাপোণত দেখা পালে। এই কথা প্ৰমাণ হ'ল যে—এই মায়া-দাপোণ কেৱল ৰূপমৰ ঘৰত থাকিলেহে জেউতি চৰে।

এই কথা শুনি জমিদাৰ ৰূপমৰ ঘৰলৈ আহিল আৰু মায়া-দাপোণত দেখা তেওঁৰ মায়াময় মুখাকৃতি এজন চিত্ৰকৰৰ হতুৱা অঁকাই ল'লে। জমিদাৰক দেখি আন ভালেমানেও এই কাম কৰিলে। জমিদাৰে 'দাপোণীয়া ৰূপম'ক পুৰস্কাৰ-স্বৰূপে ভালেখিনি ধন দিলে। জমিদাৰক দেখি আনবিলাকেও দিলে।

তেতিয়াৰপৰা ৰূপমে আৰু আলহীক আলহী বুলি নভবানগণা হ'ল.. আলহী হিচাপে সোধ-পোছ নকৰা হ'ল। কিন্তু তথাপি ৰূপমৰ ঘৰত সদায় মানুহৰ খদমদম লাগিয়েই থাকিল।

এদিন ৰূপমে ভাবিলে: মোৰ কথা ৰাইজে কি কয়—নিজৰ কাণেৰে শুনিব

ৰূপমক মতাই পঠালে। গাঁৱত — জমিদাৰেই ৰজাৰ সমান। গতিকে দাপোণখন লৈ ৰূপম তৎক্ষণাৎ জমিদাৰৰ ঘৰ ওলালগৈ।

জমিদাৰ ডাঙৰীয়াই মায়দা-পণত নিজৰ জালি-পানী দেখি ৰূপমক ক'লে, "কথানো কি তেন্তে ? এই দাপোণত মোৰ চেহেৰা-পাতি—বিশেষকৈ মুখখন দেখোন বেকেটা বেকেটযেনহে লাগিছে। তেনেহ'লে—তোমাৰ এই দাপোণৰ গুণনো কি ?"

জমিদাৰৰ কৰ্মচাৰীইঁতেও দাপোণত নিজৰ নিজৰ মুখ দেখি হতাশেই হ'ল। সিহঁতে তুৰন্তে মুখ ঘূৰাই ল'লে।

লাগিব। যেন ভবা তেন কাম। ৰূপম গ'ল ৰাজধানীলৈ। ৰাজধানীত এজনে ৰূপমক ক'লে, "অ'—আপুনি ধৌলপুৰীৰ-পৰা আহিছে। আপুনি বাৰু—দাপোণীয়া ৰূপমৰ নাম শুনিছেনে বাৰু?

শুনি ৰূপমৰ নধৰ-নপৰ লাগিল। ৰূপমে ক'লে, "মই ধৌলপুৰতে থাকিম—আৰু দাপোণীয়া ৰূপমৰ নাম নুশুনিম—দুটা কথা একেলগে হ'ব কেনেকৈ? —কিন্তু—কিন্তু— " ৰূপমে খন্তেকমান ৰৈ পুনৰ ক'লে, "এই চিত্ৰ আপোনাৰ ঘৰত কিয়?"

"কি কয় হেৰি!" মানুহজনে ক'লে, "এওঁ হ'ল —'আলহীয়া দয়াৰাম', এওঁ আমাৰ নমস্য ব্যক্তি, প্ৰাতঃস্মৰণীয় ব্যক্তি। কেৱল মোৰ ঘৰতে নহয়, দেশৰ বহুতৰে ঘৰতে দয়াৰাম ডাঙৰীয়াৰ চিত্ৰ দেখা পাব। এওঁৰ অতিথি-সৎকাৰৰ তুলনা নাই।"

শুনি ৰূপমৰ ৰাও বান্ধি কান্দিবৰ মন গ'ল। সি অত্যন্ত নিৰাশ হ'ল আৰু চিধাই ঘৰলৈ বুলি খোজ ল'লে।

বাটত সেই সাধুৰ সৈতে দেখাদেখি—যিগৰাকী সাধুৱে মায়া-দৰ্পণ দিছিল। সাধুৱে ৰূপমক সুধিলে, "কি কথা ৰূপম, তোমাক হতাশ যেন লাগিছে কিয়? এতিয়া দেখোন ৰাইজে তোমাক 'দাপোণীয়া ৰূপম' বুলি কয়। তথাপি—"

"হে মহাত্মা, আপোনাৰ এই মায়া-



দৰ্পণ আপুনি ঘূৰাই লওক।”

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্রমাদিত্যক ক'লে. “হে ৰজা, দাপোণীয়া ৰূপমৰ কথা-কাণ্ড তোমাৰ আচৰিত যেন লগা নাইনে? দেশৰ সকলোতে দাপোণীয়া ৰূপমৰ নাম বিয়পি পৰিল, তথাপি কিয়নো তাৰ মনত ইমান হতাশা? মায়া-দৰ্পণখন ৰূপমে কিয় সাধুক ওভোতাই দিলে? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নোকোৱা—তোমাৰ মূৰ ফাটি নিশ্চয় চাৰিফাল হ'ব।”

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্রমাদিত্যই ক'লে “ৰাজধানীলৈ গৈ ৰূপমে এই কথা বুজি পাইছিল যে—তাৰ ঘৰলৈ যদিও দয়াৰামৰ ঘৰলৈ অহাতকৈয়ো অধিক মানুহ আহে, তথাপি—পাৰ্থক্য ঢেৰ। দয়াৰামৰ ঘৰলৈ অহাসকলে দয়াৰামক দেৱতা দেখা দি দেখে; কিন্তু তাৰ ঘৰলৈ অহাইঁতে কেৱল দাপোণখনকহে দেখে, তলৈ কোনেও ঘূৰিও নাচায়। দয়াৰামৰ জন্মগত চৰিত্ৰ বোলা যি বস্তু আছে, সেই বস্তুটি তাৰ মাজত নাই। গতিকে দয়াৰামে ৰাইজৰপৰা মৰমৰ উপৰিও যি সন্মান আৰ্জিছে, ৰূপম তাৰ ওচৰে-পাঁজৰেও যাব পৰা নাই। —এই কথাখিনি উপলব্ধি কৰাৰ লগে লগেই ৰূপমৰ মন হতাশাৰে পৰিপূৰ্ণ হ'ল। ৰূপমে এই কথাটি স্পষ্টকৈয়েই বুজি পালে যে—মানুহ আৰু মোহিনীত প্ৰভেদ বিস্তৰ। মায়া-দৰ্পণেৰে লোকৰ মনত চমকৰ সৃষ্টি কৰিব পাৰি- কিন্তু কদাপি যে মনুষ্যত্ব তথা প্ৰকৃত মানুহৰ চৰিত্ৰ সৃষ্টি কৰিব নোৱাৰি — সেই কথাটি উপলব্ধি কৰিয়েই ৰূপমে অপ্ৰয়োজনীয় মায়া-দৰ্পণ সাধুক ঘূৰাই দিছিল।”

বিক্রমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

অন্ধ চৰকাৰ

বহু বহু কালৰ আগৰ কথা। কৰোম নামৰ চহৰৰ-কাষৰীয়া গাঁও এখনত ছকুৰা নামৰ এজন দুখীয়া মানুহ আছিল। ছকুৰাই কামকাজ বিচাৰি এদিন ৰাজধানীলৈ গ'ল। ছকুৰাৰ ইচ্ছা ঃ নৱাবৰ অধীনত কিবা সৰুসুৰা কাম কৰিব।

কিন্তু বহু চেষ্টা কৰিও ছকুৰাৰ কোনো ধৰণৰ কামেই নিমিলিল।

অৱশেষত ছকুৰা হঠাৎ দুঃসাহসী হৈ উঠিল আৰু আয়-উপাৰ্জন কৰিবলৈ বুধি এটা পাঙিলে। সি এটা ছিল-মোহৰ বনাই আনিলে আৰু সি বিচাৰালয়ৰ এচুকত মহৰীৰ কাম কৰিবলৈ বহি দিলে। বিভিন্ন জনৰ বিভিন্ন আবেদন পত্ৰ ছকুৰাই লিখি দিয়া হ'ল, আৰু প্ৰত্যেকৰ আবেদন পত্ৰত সেই ছিল-মোহৰ মাৰি দিয়া হ'ল।

ছকুৰাই আবেদনপত্ৰ লিখোঁতে এক পইচাকৈ লৈছিল। বিচাৰালয়ৰ পেছকাৰে এই সাঁচত মৰা কাকত চৰকাৰৰে বুলি ভাবি লৈ হাকিমৰ আগত পেছ কৰিছিল। সময়ৰ লগে লগে অৱস্থা এনেকুৱা হ'ল— আনকি আন কোনোবা মহৰীয়ে আৰ্জি-আবেদনপত্ৰ লিখি দিয়া হ'লেও এক পইচা ওপৰঞ্চিকৈ খৰচ কৰি আবেদনপত্ৰৰ ওপৰত ছকুৰাৰ ছিল-মোহৰৰ ছাপ মাৰি লৈহে মত বিচাৰালয়ত দাখিল কৰিছিল।

এইদৰে ছকুৰাই ক'বলৈ গ'লে ৰইনাইদি কোঁচালে। কিন্তু কিছুদিনৰ অন্তত ছকুৰাৰ মনত ভয় সোমাল যে এদিন-নহয়-এদিন সি ধৰা পৰিবই নৱাবৰ হাতত। তেতিয়া? তেতিয়া কি হ'ব?

ভাবি ভাবি উপায় এটা উলিয়ালে

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’

সি। এতিয়াৰাপৰা প্ৰতিখন আবেদনপত্ৰ এক পইচাৰ সলনি দুপইচাকৈ ল'বলৈ ধৰিলে। কিন্তু তথাপি গ্ৰাহক নকমিল।

এইদৰে ছকুৰাৰ দহ বছৰ পাৰ হ'ল।

তাৰ পাছত এদিন কিবা এটা কাৰণত ছকুৰা বিচাৰালয়লৈ যাব নোৱৰা হ'ল। সেই দিনৰ আবেদনপত্ৰবিলাকত ছকুৰাৰ ছিল-মোহৰ নথকা হ'ল। পেছকাৰে ক'লে, "এইবোৰত ছকুৰাৰ ছিল-মোহৰ নাই, এইবোৰ ল'ব নোৱাৰিম।"

তেতিয়া হাকিমৰপৰা আৰম্ভ কৰি বহুতেই বহুতক সুধিলে যে আচলতে এই ছিল-মোহৰ কাৰ, আৰু কি এইটো?

আগৰ আবেদনপত্ৰবোৰ চালি-জাৰি চোৱা হ'ল। ছিল-মোহৰত লিখা আছে: 'অন্ধ চৰকাৰ—পিতলৰ দুৱাৰ—ছকুৰাৰ মোহৰ'। কোনেও সঠিককৈ একো বুজি নোপোৱা হ'ল। কথাটো যেতিয়া নৱাবৰো কাণ চুলেগৈ, তেতিয়া নৱাবে ছকুৰাক মতাই অনালে।

নৱাবে ছকুৰাক সুধিলে, "তুমি কোন? এই মোহৰ তুমিয়েই মাৰিছা, নহয় জানো? এই মোহৰ মৰাৰ অধিকাৰ তোমাক কোনে দিছিল?"

ছকুৰাই নৱাবৰ আগত অকপটে সকলো কথা ক'লে।

নৱাবে আচৰিত মানিলে ছকুৰাৰ সাহসৰ কথা ভাবি। তেওঁ ছকুৰাক কিবা সুধিবলৈ লওঁতেই ছকুৰাই কৈ উঠিল, "হুজুৰ মেহেৰবান! আপোনাৰ ভাগত যোৱা দহ বছৰত ত্ৰিছ হেজাৰ ৰূপ জমা হৈছে। এয়া লওক আপোনাৰ ভাগৰ ৰূপখিনি।" এই বুলি কৈ, ছকুৰাই তাৰ হাতত থকা গধুৰ মোনা এটা নৱাবৰ পদপ্ৰান্তত নম্ৰভাৱে থৈ দিলে।

ছকুৰাৰ বুদ্ধিমত্তালৈ চাই নৱাবে তেওঁৰ অধীনত ছকুৰাক এই ছিল-মোহৰৰ কামৰ বাবেই মকৰল কৰিলে।

জ্ঞান-ভাণ্ডাৰ

তেওঁনো কোন

সুপ্ৰাচীন কালত গ্ৰিছদেশৰ আথেন্সত এগৰাকী বিশিষ্ট দাৰ্শনিক আছিল। প্ৰতিদিন বিভিন্ন শ্ৰেণীৰ মানুহ তেওঁৰ কাষ চাপিছিল বিভিন্ন সমস্যাৰ সমাধান বিচাৰি। এদিন এজন যুৱকে এই দাৰ্শনিক গৰাকীৰ কাষ চাপিল আৰু তেওঁক ক'লে, "মান্যবৰ, মই এজন খ্যাতিমান বক্তা হ'ব খুজিছোঁ। মই এই বাবে বিভিন্ন ঠাইৰ বিভিন্ন ব্যক্তিৰ ওচৰলৈ গৈছোঁ আৰু মোৰ উদ্দেশ্যৰ কথা শুনি তেওঁলোকে ভালো পাইছে। গতিকে এতিয়া—আপোনাৰপৰা ভাষণ-কলা শিকিব পাৰিলেই হ'ল।" এইদৰে যুৱকে বহু সময় ধৰি দাৰ্শনিকক ক'লে। অন্তত যুৱকে ক'লে, "মোক যদি আপুনি ভাষণ-কলা শিকাই দিয়ে—মই আপোনাৰ ওচৰত ওৰে জীৱনলৈ ধৰুৱা হৈ থাকিম আৰু আপোনাক জোখে-জোখাৰে মাননীও দিম।"

"ঠিক আছে।" দাৰ্শনিকে ক'লে, "কিন্তু তুমি মোক দুবাৰ মাননী দিবা।"

"দুবাৰ ?—কিয় ?" যুৱকে আচৰিত হৈ সুধিলে।

"প্ৰথমে তোমাক মৌনতা শিকাব লাগিব, তাৰ পাছতহে ভাষণ।" দাৰ্শনিকে নিৰ্লিপ্ত কণ্ঠেৰে ক'লে।

এই দাৰ্শনিকগৰাকী কোন অছিল?

[উঃ ৩৬ পৃঃ]

আমি জানো নে ?

১. কোন দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক এটি পৌৰাণিক চৰাই আছিল ?
২. ১৯৪৬ চনত এগৰাকী খ্যাতনামা ব্যক্তি এখন দেশৰ ৰাষ্ট্ৰপতি পদপ্ৰাৰ্থী হ'ল, যদিও তেওঁ প্ৰকৃতপক্ষে সেই দেশৰ অধিবাসীও নাছিল। এই ব্যক্তিগৰাকী কোন ?
৩, উক্ত দেশখন কোন দেশ আছিল ?
৪. এনে ঘটনা কিয় ঘটিছিল ?
৫. 'লংকা' (শ্ৰীলংকা) শব্দটোৰ অৰ্থ কি ?

[উ : ৩৬ পৃ :]

অযোধ্যা নগৰ

'অযোধ্যা'ৰ অৰ্থ হ'ল 'অজেয়'। অযোধ্যাৰ শত্ৰুহঁত কদাপি বিজয়ী হ'ব পৰা নাছিল বুলি কোৱা হয়। সৰযূ নৈৰ তীৰত অৱস্থিত অযোধ্যা নগৰ দশৰথ প্ৰমুখ সূৰ্য্যবংশীয় ৰজাসকলৰ দ্বাৰা শাসিত কোশলদেশৰ ৰাজধানী আছিল।

আমাৰ দেশৰ পৱিত্ৰ বুলি গণ্য 'সপ্তনগৰী'ৰ অন্যতম হ'ল অযোধ্যা। এই অযোধ্যা হ'ল ৰামচন্দ্ৰৰ জন্মভূমি। শ্ৰীৰাম-চন্দ্ৰৰ জন্মস্থান, তেওঁৰ যজ্ঞথলী আৰু সীতাদেৱীৰ ৰান্ধনীশাল অদ্যাপি তাত পৰিলক্ষিত হয় বুলি কোৱা হয়।

বহুকালৰ অন্তত কোশলদেশৰ ৰাজধানী সাকেতলৈ আৰু তাৰ পাছত

সম্বাদ-বি-সম্বাদ

সৰাতোকৈ সৰু ডাক্তৰ

নিউইয়র্ক নগৰৰ বাসিন্দা বালমুৰলী কৃষ্ণ আম্বাটি নামৰ ভাৰতীয় ল'ৰাটিৰ আখিন্দা আছিল বৈদ্যশাস্ত্ৰী হোৱাৰ। আখিন্দা পূৰ হ'ল, আম্বাটি হ'ল চিকিৎসক। এই খবৰ যেতিয়ামানে আপোনালো2ক পঢ়িব. বালমুৰলী তেতিয়ামানে পৃথিৱীৰ সৰাতোকৈ কম বয়সৰ ডাক্তৰ ৰূপে খ্যাত হ'ব। ওঠৰ বছৰীয়া ইস্ৰায়েলী ল'ৰা এটিও ডাক্তৰ হ'ল। আৰু—আমাৰ বালমুৰলী সোতৰতে!





তিমিংগলৰ গীত-মাত

যোৱা ছাব্বিশ বছৰ ধৰি তিমিংগলৰ বিষয়ে অনুসন্ধান কৰা হৈছে আৰু এই কথা স্পষ্টৰূপে জনা গৈছে যে—আটাইবোৰ তিমিংগলেই কিবা-নহয়-কিবা ধৰণে কথা ক'ব পাৰে। কিছুমান তিমিংলগৰ কথা শুনাত সাইলাখ মানুহৰ কণ্ঠ-নিঃসৃত গীতৰ দৰে বুলি কোৱা হৈছে!



শ্ৰাৱস্তীলৈকো স্থানান্তৰিত হৈছিল। চতুৰ্থ আৰু পঞ্চম শতিকাত অযোধ্যা আছিল গুপ্ত-সাম্ৰাজ্যৰ দ্বিতীয় ৰাজধানী। পাছতো অযোধ্যাৰ শাসকীয় মৰ্য্যাদা নথকা নাছিল।

সময়ত অযোধ্যা বৌদ্ধধৰ্মৰ আৰু আনকি জৈনধৰ্মৰো প্ৰাণকেন্দ্ৰস্বৰূপ হৈ উঠিছিল। জৈনধৰ্মৰ চৌবিছগৰাকী তীৰ্থংকৰৰ মাজত তেইছগৰাকীয়েই আছিল ইক্ষাকুবংশীয়। এওঁলোকৰ মাজত আদিনাথ, অজিতিনাথ, অনিন্দনাথ, অনন্তনাথ. সুমতি-নাথ প্ৰমুখ অযোধ্যাতে জনম লৈছিল।

আজিৰ অযোধ্যা উত্তৰ প্ৰদেশত গোৰক্ষপুৰ আৰু লখ্‌নৌ ৰেলওৱে ষ্টেশ্যনৰ মাজত এটি ক্ষুদ্ৰ ষ্টেশ্যন তথা অতি ক্ষুদ্ৰ চহৰ মাথোন।

অযোধ্যাত অৱস্থিত ৰাম-সীতাৰ মন্দিৰ অতি বিখ্যাত। তাৰোপৰি— ৰামচন্দ্ৰৰ পুত্ৰ কুশ নিৰ্মিত নাগেশ্বৰনাথৰ আৰু নবাব সুজাউদ্দৌলা-নিৰ্মিত হনুমান-গড়স্থিত হনুমান-মন্দিৰো যথেষ্ট বিখ্যাত তথা আকৰ্ষণীয় দ্ৰষ্টব্য।

অযোধ্যাৰপৰা প্ৰায় ২৫ কিল'মিটাৰ দূৰত নন্দীগ্ৰাম অৱস্থিত। শ্ৰীৰামচন্দ্ৰ যেতিয়া বনবাসত আছিল, তেতিয়া এই নন্দীগ্ৰামৰেপৰাই ভৰতে ৰাজ্য-শাসন কৰিছিল বুলি কোৱা হয়।

সাহিত্য-জগতলৈ এভুমুকি

১. ইতালিদেশৰ এগৰাকী মহাকবিক মৃত বুলি গণ্য কৰি সৎকাৰ কৰিবলৈ লৈ যোৱা হৈছিল। কিন্তু তাৰ পাছতো তেওঁ ৩০ বছৰলৈ জীৱিত আছিল। সেই মহাকবি কোন আছিল?

২. শ্বেক্সপিয়্যাৰৰ মৃত্যুৰ দিনা আন এগৰাকী লেখকৰো মৃত্যু হৈছিল। তেওঁৰ নাম কি আছিল?

৩. ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ কোনো জীয়ৰীও আছিলনে?

৪. বেদমন্ত্ৰ ৰচনকাৰী মুনিকন্যাৰ নাম?

৫. 'শতক'ৰ অৰ্থ কি?

উত্তৰ

কোন?

ছক্রেটিজ।

জানোনে

১. গৰুড় পক্ষী, ইন্দোনেছিয়া।

২. আলবাৰ্ট আইনস্টাইন।

৩. ইস্রাইল।

৪. ইহুদি-ৰাজ্য তেতিয়া স্থাপিত হৈছিল। আইনস্টাইনো ইহুদি আছিল, সেইবাবে।

৫. উজ্জ্বল পৃথিৱী।

সাহিত্য

১. পেত্ৰাৰ্ক (১৩০৪-১৩৭৪)

২. 'ডন কুয়িক্সোট' গ্ৰন্থৰ লেখক ছাৰ্ভেন্টিছ।

৩. হয়, দুঃশলা।

৪. গৰ্গমুনিৰ কন্যা গাৰ্গী।

৫. একেটা বিষয় লৈ ৰচিত এশ পদ্য থকা কাব্যগ্ৰন্থ।



শ্ৰীৰামকৃষ্ণ পৰমহংস

(৩)

গদাধৰে কালী গোসাঁনীক পূজা কৰোঁতে গোসাঁনীৰ সৈতে এনেকৈ একাত্মিকা ভাবত বিভোৰ হৈছিল যে—গোসাঁনীক পূজিবৰ ফুলেৰে গদাধৰে আনকি নিজক নিজেই পূজিছিল আৰু এনেকুৱা আত্মপূজাকে গোসাঁনীৰ পূজা বুলি ভাবিছিল।

কেতিয়াবা কেতিয়াবা গদাধৰ দুপৰ ৰাতিতো গংগাৰ পাৰত গছৰ তলত বহিছিলগৈ আৰু ধ্যানমগ্ন হৈ সমাহিত হৈ পৰিছিল। এনেবোৰ দৃশ্য সঘনে দেখা পাই অন্যান্য মন্দিৰ-কৰ্মীইতে গদাধৰক বলিয়া হোৱা বুলি ভাবিছিল।





মন্দিৰৰ অন্যান্য পুৰোহিতসকলে ৰাণী ৰাসমণিৰ জোঁৱায়েক তথা ভৱিষ্যৎ-উত্তৰাধিকাৰী মথুৰানাথক গদাধৰৰ এনেবোৰ বলিয়ালিৰ কথা ক'লেগৈ। শুনি মথুৰানাথ কিঞ্চিত বিচলিত হ'ল আৰু নিজেই এই আচৰিত ঘটনাৰ অনুসন্ধান কৰিব বুলি স্থিৰ কৰিলে।



এদিন মথুৰানাথ মন্দিৰলৈ আহিল আৰু বাহিৰৰপৰা মন্দিৰৰ ভিতৰলৈ জুমি চালে। গদাধৰে তেতিয়া কালী গোসাঁনীক প্ৰসাদ খুৱাবলৈ চেষ্টা কৰি আছিল—যেনিবা পুত্ৰইহে মাতৃক খাবলৈ কৈছে। মথুৰানাথে গদাধৰৰ এনে আন্তৰিকতা তথা গোসাঁনীৰ সৈতে একাত্মতা দেখি বিস্মিত তথা মুগ্ধ হ'ল।

এদিন স্বয়ং ৰাণী ৰাসমণি দক্ষিণেশ্বৰৰ মন্দিৰত গদাধৰৰ ভক্তিমূলক গীত শুনিবলৈ বহিল। কিন্তু অলপ সময়ৰ অন্তত ৰাসমণিৰ মনত পৰিল এটা বিশেষ মোকৰ্দমাৰ কথা। হঠাৎ গদাধৰে ৰাণী ৰাসমণিক চৰ এপাত শোধাই কৈ উঠিল, "ইয়াতো সেই লেতেৰা কথাবোৰকে চিন্তি আছা!"



ৰাণীৰ লগত অহা বিষয়াসকল গদাধৰৰ এনে আচৰণত অতি ক্ষুব্ধ হৈ উঠিল। তেওঁলোকে গদাধৰক যথাযোগ্য শাস্তি দিবলৈ ব্যৱস্থা লওঁতে ৰাণীয়ে এই বিষয়ত হস্তক্ষেপ কৰিলে। ৰাণীয়ে উপলব্ধি কৰিলে যে—গদাধৰৰ এই কাৰ্য্য কিছু বিসদৃশ; কিন্তু অন্যায় নহয়। গদাধৰে তেওঁৰ (ৰাণীৰ) মনৰ কথা যে কেনেকৈ গম পালে সেই কথাতো ৰাণীয়ে বিস্ময় মানিলে।

এই কালছোৱাত গদাধৰৰ বিভিন্ন ধৰণত অনুভূতি হৈছিল। এদিন গদাধৰে দেখিলে যে—তেওঁৰ দেহৰপৰা পিশাচ-ৰূপী মন্দত্ব সবেখে ওলাই গ'ল।





ইপিনে—গদাধৰৰ মাতৃয়ে গদাধৰৰ বিবাহ পাতিবলৈ উন্মুখ হৈ আছিল। তেওঁৰ আন কিছুমান আত্মীয়ায়ো গদাধৰৰ বাবে কইনা বিচৰাত লাগিল। হঠাৎ গদাধৰে ক'লে, "জয়ৰামবাটী গাঁৱৰ ৰামচন্দ্ৰ মুখোপাধ্যায়ৰ ঘৰতে মোৰ যোগ্য-পত্নী ডাঙৰ-দীঘল হৈ আছে।

কিয় যে গদাধৰে এই কথা ক'লে, কোনেও ভাবি উলিয়াব নোৱাৰিলে। গদাধৰ কেতিয়াও জয়ৰামবাটী গাঁৱলৈ যোৱা নাছিল। যি কি নহওক. গদাধৰৰ কথা শুনি তেওঁৰ মাতৃয়ে জয়ৰামবাটীৰ মুখোপাধ্যায়-পৰিয়ালৰ লৈ মানুহ পঠালে আৰু তাতেই সৰু ছোৱালী এজনীৰ লগত গদাধৰৰ বিবাহ সাব্যস্ত কৰিলে।





বিবাহ অনুষ্ঠিত হ'ল। গদাধৰে শিশু এটিৰ দৰে বিয়াৰ আচাৰ-অনুষ্ঠানসমূহ ঘূৰি ঘূৰি চালে। কইনা সাৰদামণি আছিল দেখাত অতি সুন্দৰ তথা মধুৰ আৰু স্বভাৱত আছিল অতি নম্ৰ।

বিবাহৰ অন্তত পুনৰ মন্দিৰলৈ উভতি আহি গদাধৰে পুনৰ পূজাত মন দিলে। এইবাৰ গদাধৰ হনুমন্তৰ ধ্যানত বহিল। হনুমন্ত হ'ল সৰ্বকালৰ আদৰ্শ ভক্ত। সেইহে গদাধৰে হনুমন্তক ধ্যানযোগে ইয়াত পাবলৈ বিচাৰিলে।





এদিন খদাধৰে ধ্যানত এগৰাকী ৰূপৱতী ভক্তিমতী নাৰীক তেওঁৰ পিনে আহি থকা দেখা পালে। মুহূৰ্ত-মানৰ পাছত গদাধৰে বুজি পালে যে—এই নাৰী-গৰাকী হ'ল স্বয়ং সীতা। সীতাদেৱী এখুজি-দুখুজিকৈ গদাধৰৰ ওচৰলৈ আহিল আৰু এসময়ত গদাধৰৰ দেহত মুহূৰ্ততে লীন হৈ গ'ল। [আগলৈ]



পুণ্যৰ পণ্য

কোনোবা এখন গাঁৱত এজন অতি দুখীয়া মানুহ আছিল। মানুহজনৰ নাম আছিল শম্ভু। বহু ঠাইত বহু ধৰণে চেষ্টা কৰা সত্বেও শম্ভুৱে কোনো ভাল কাম-বন যোগাৰ কৰিব নোৱাৰিলে। কত গাঁও বজাৰ হাটলৈ যে গ'ল কাম বিচাৰি, কিন্তু শম্ভুৰ জীৱনত নাহিল সুঁচৰি। তেতিয়া এদিন শম্ভুৰ ঘৈণীয়েক শান্তিয়ে শম্ভুক ক'লে, "আপুনি চহৰলৈ নাযায় কিয়? চহৰত হেনো—কৰিম বুলিলেই কাম, আৰু জোখে-জোখাৰে দাম।"

পাছদিনা ধলপুৱাতে শান্তিয়ে শম্ভুৰ কাৰণে ৰুটি বনালে আৰু ৰুটিখিনি বাটত খাবলৈ ভালকৈ টোপোলাত বান্ধি দিলে।

চহৰ বহুত দূৰ—পাক্কা এদিন-এনিশাৰ বাট। বাট-পথো বৰ ওখোৰা-মোখোৰা, কিছুখিনি এঠালতীয়া বোকাৰে ভৰা। শম্ভু চহৰলৈ বুলি ওলোৱা শুনি চুবুৰীয়া যোগানন্দই নিজৰ হাড়ে-ছালে লগা ঘোঁৰাটো শম্ভুৰ ওচৰলৈ লৈ আহিল আৰু শম্ভুক ক'লে, "শুনা, তুমি ইমান দূৰৰ বাট খোজ কাঢ়ি গ'লে বৰকৈ ভাগৰি পৰিবা। তেতিয়া—কামেই বিচাৰিবানে ভাগৰেই পলুৱাবা? গতিকে—আমাৰ পংখীৰাজ ঘোঁৰাটোকে লৈ যোৱা, এমাহৰ অন্তত ঘোঁৰাটোক ঘূৰাই দিবা।"

তাৰ পাছত — যোগানন্দৰ চেৰেলা-ঘোঁৰা পংখীৰাজৰ পিঠিত উঠি শম্ভুৱে চহৰলৈ ৰাওনা কৰিলে। দুপৰীয়াৰ পৰতে শম্ভুৱে এখন নৈৰ পাৰ পালেগৈ। তেতিয়া শম্ভুৰ ভোকো লাগিছিল। শম্ভুৱে তাত ঘোঁৰাৰপৰা নামি, ঘোঁৰাটোক চৰি খাবলৈ

'শিৱৰাম'



সি আন এখন ৰুটি কুকুৰটোক খাবলৈ দিলে। আৰু তাৰ পাছত—বাদ বাকী ৰুটি দুখনে বুঢ়া কুকুৰটোকে দিলে। তেতিয়াহে ভালকৈ খাই-বৈ আনন্দৰে নেগুৰ জোকাৰি কুকুৰটো গুচি গ'ল।

শম্ভুৰে আৰু কৰিব কি—। সি নৈৰ পানী খাই ভোক পলুৱাই পুনৰ ঘোঁৰাত উঠি চহৰলৈ গ'ল আৰু খাজিখোৱা এখনত ৰ'লগৈ।

পাছদিনা কাম বিচাৰি শম্ভু ওলাল। চহৰৰ বাটে বাটে শম্ভুৰে কাম বিচাৰি বিচাৰি ভাগৰি পৰিল; কিন্তু কামৰ কোনো পাত্তা নোপোৱা হ'ল। শম্ভু ভোকত অস্থিৰ হৈ উঠিল; কিন্তু কিবাকিবি কিনিবলৈ পইচা-পাতিও নাই তাৰ। ভোকে-পিয়াহে অস্থিৰ হৈ শম্ভুৱে কি কৰিব-কি নকৰিব ঠাৱৰ কৰিব নোৱাৰিলে। এনেতে—অলপ আঁতৰত এঠাইত মানুহৰ ভিৰ দেখা পাই শম্ভুও তালৈ গ'ল।

শম্ভুৰে তাত আৰু-তাৰু সুধি ইমানকে বুজি পালে যে কুবেৰনাথ নামৰ কোনোবা এজন বিৰাট ধনী বেপাৰীয়ে লোকৰপৰা পুণ্য কিনি লৈছে। ইয়াত ভিৰ কৰি থকা মানুহবিলাকে তেওঁলোকৰ নিজৰ নিজৰ পুণ্য বেচিবলৈ আহিছে।

শুনি—ক্ষন্তেকৰ বাবে শম্ভু যেনিবা

এৰি দি. নিজেও ৰুটি খাবলৈ বহিল।

ৰুটি খাবলৈ টোপোলাটোও খুলিলে. আৰু তাত ক'ৰবাৰপৰা এটা বুঢ়া কুকুৰ ওলাল। কুকুৰটোৱে শম্ভুৰ কাষ নাচাপি অলপমান আঁতৰত থিয় হৈ নেগুৰ লৰাবলৈ ধৰিলে। কুকুৰটো আছিল বৰ ভুকীয়া। সি ভোকতে লাহেকৈ ভুকি উঠিল। শম্ভুৰে ঘূৰি চাই, কুকুৰটোক দেখি, এখন ৰুটি ডোখৰ ডোখৰকৈ ছিঙি খাবলৈ দিলে।

কিন্তু তথাপি কুকুৰটো নাতঁৰিল, মূৰ দাঙি দাঙি শম্ভুকে চাবলৈ ধৰিলে বাৰে বাৰে। শম্ভুৰে যেতিয়া বুজি পালে যে কুকুৰটোৰ ভোক গুচা নাই, তেতিয়া

শোবা-শেৰেলুৰা হৈ পৰিল। তাৰ পাছত সি ভাবি থাকিল যে—তাৰো বেচিবপৰা কিবা পুণ্য আছেনে নাই। ভাবি ভাবি সি উলিয়ালে যে—এবাৰ তাৰ দেউতাকে গাঁৱৰ ৰাইজৰ বাবে কুঁৱা এটা খন্দাইছিল।



শম্ভু তেতিয়া ধনী বেপাৰী কুবেৰনাথৰ কাষ চাপিল। কুবেৰনাথে শম্ভুক সুধিলে, "কোৱা, তোমাৰ কি পুণ্য আছে। যদি কিবা আছে—মই কিনি ল'ম।"

শম্ভুৱে যেতিয়া তাৰ দেউতাকে কুঁৱা খন্দোৱাৰ কথা ক'লে, তেতিয়া কুবেৰনাথে হাঁহি কৈ উঠিল, "এই পুণ্য তোমাৰ দেউতাৰাৰহে, তোমাৰ নহয়, তোমাৰ পুণ্য যদি কিবা আছে তাকে কোৱা।"

শম্ভুৱে দুঃখিতভাবে ক'লে, "শ্বেঠজী, মোৰ নিজৰ — একেবাৰে নিজৰ পুণ্যৰ ভঁৰাল শূন্য। খাবলৈকে নোজোৰে—পুণ্য কৰিম কিহেৰে?"

কুবেৰনাথে ক'লে, "মই কিন্তু মোৰ কাষ চপাসকলৰ পাপ-পুণ্যৰ কথা সহজেই কৈ দিব পাৰোঁ, সেই ক্ষমতা মোৰ আছে। —তুমি এদিন এটা ভোকাল কুকুৰক চাৰিখন ৰুটি খুৱাইছিলা—নিজে নাখাই। এই পুণ্যৰপৰা এখন ৰুটিৰ পুণ্য বেচা যদি—মই কিনিব পাৰোঁ।"

শম্ভু বেপাৰী কুবেৰনাথৰ কথা ৰাজী হ'ল। তেতিয়া কুবেৰনাথে এখন ৰুটি অনালে আৰু সেই ৰুটিখনত সোঁহাতখন থৈ শম্ভুৱে তাৰ এখন ৰুটিৰ পুণ্য বেচিবলৈ অংগীকাৰ কৰিলে।

কুবেৰনাথে তুলাচনীৰ এফালে ৰুটিখন থৈ দিলে আৰু আনফালে সোণ-ৰূপ দিলে। চাওঁতে চাওঁতে কুবেৰনাথৰ ওচৰত থকা আটাইখিনি সোণ ৰূপ দি দিলে; কিন্তু তথাপি ৰুটিখনৰ সমান ওজন নহ'ল। তেতিয়া কুবেৰনাথ বেপাৰীয়ে তেওঁৰ পৰিবাৰৰ যিমান গহনা আছিল—আটাইখিনি দিয়াতহে ৰুটিখনৰ সমান ওজন হ'ল।

এইদৰে এখন ৰুটিৰ পুণ্য বেচি,

সোণ-ৰূপৰ গধুৰ টোপোলা এটি লৈ, শম্ভু পুনৰ ঘোঁৰাত উঠি গাঁৱলৈ বুলি ৰাওনা হ'ল।

গৈ গৈ গৈ গৈ—এঠাইত এঠালতীয়া বোকাত ঘোঁৰাটোৰ ঠেং প্ৰায় পোত খাই পৰিল। ঘোঁৰাটোৱে যিমানেই সেই বোকামাটিৰপৰা ওলাই আহিবলৈ চেষ্টা কৰি থাকিল, সিমানেই বেছিকৈ পোত খাই পৰিবলৈ ধৰিলে।

এনেতে—সেই ফালেদি গৈ থকা সাধু এজনে এই দৃশ্য দেখা পাই শম্ভুক ক'লে, "ইয়াৰপৰা ওলাই যাবলৈ বৃথা চেষ্টা নকৰিবা। এই ভূমি শাপগ্ৰস্ত। উদ্ধাৰৰ একমাত্ৰ উপায়—যদিহে নিজৰ কিবা পুণ্য আছে, সেই পুণ্যৰ ফল পৰিত্যাগ কৰা। মাত্ৰ তেতিয়াহে এই শাপগ্ৰস্ত বোকামাটিৰপৰা উদ্ধাৰ পাব পাৰিবা।"

শম্ভুৱে তৎক্ষণাৎ তাৰ আন এখন ৰুটিৰ পুণ্য পৰিত্যাগ কৰিলে।

কিন্তু তথাপি শাপগ্ৰস্ত বোকামাটিৰপৰা ওলাই আহিব নোৱাৰাত শম্ভুৱে তাৰ বাদ বাকী দুখনৰ ৰুটিৰ পুণ্যও পৰিত্যাগ কৰিলে। আৰু তাৰ পাছতো যেতিয়া উদ্ধাৰ নোপোৱা হ'ল—তেতিয়া সোণ-ৰূপৰ টোপোলাটোও সেই বোকামাটিৰ নিৰ্জন পথাৰলৈ দলিয়াই দিলে।

আৰু লগে লগে সেই বোকামাটিৰ পথাৰ আৰু সাধু নোহোৱা হ'ল, আৰু শম্ভুৰ আগত মহাদেৱীয়ে প্ৰত্যক্ষভাবে আবিৰ্ভূতা হৈ শম্ভুৰ সেই সোণ-ৰূপৰ টোপোলাটো শম্ভুক ঘূৰাই দিলে আৰু ক'লে, "শম্ভু, তুমি ধনৰ দুখীয়া হ'লেও মনৰ দুখীয়া নহয়। যোৱা, তোমাৰ পুণ্যৰ বলেৰে জীৱনৰ বাকী কালছোৱা পৰম প্ৰশান্তিৰে অতিবাহিত কৰাগৈ।"

শম্ভুৱে তাৰ পুণ্যেৰে অৰ্থাৎ ৰুটি বেচা সোণ-ৰূপেৰে বেহা-বেপাৰ কৰাৰ লগতে দুখীয়া সকলৰ প্ৰতি দয়া-ধৰ্ম কৰি সুখেৰে জীৱন অতিবাহিত কৰিছিল।

বীৰ হনুমান

৩

বালীৰ মৃত্যু হোৱা বুলি ভাবি, গুহাৰ দুৱাৰমুখ বিৰাট গধুৰ শিল এচটাৰে বন্ধ কৰি, সুগ্ৰীৱ ৰাজধানীলৈ আগ বাঢ়িল। কিন্তু প্ৰকৃত কথা আছিল এয়ে যে—মায়াৱীয়ে বালীক বধ কৰা নাছিল, বালীয়েইহে ৰাক্ষস মায়াৱীক বধ কৰিছিল আৰু তাৰ পাছত বালী পুনৰ ৰাজধানীলৈ ভালে-কুশলেই উভতি আহিছিল।

বালীক জীৱিত অৱস্থাত দেখা পাই বিস্মিত কিন্তু মুগ্ধ সুগ্ৰীৱে বালীক প্ৰণাম কৰিলে; কিন্তু বালীয়ে সুগ্ৰীৱক আশীৰ্বাদ নকৰা হ'ল। বৰঞ্চ—খঙৰ ভমকত বালীয়ে সুগ্ৰীৱক ভৎৰ্সনা কৰিলে। তথাপি সুগ্ৰীৱে বালীক প্ৰণিপাত কৰিলে।

বালী কিয় ক্ৰোধান্বিত হৈছে, সুগ্ৰীৱে উপলব্ধি কৰিব পাৰিলে। সেইতে—সুগ্ৰীৱে অতি নম্ৰ কণ্ঠেৰে বালীক ক'লে, "ককাইদেউ, শত্ৰুক বধি আপুনি যে সকুশল উভতি আহিছে, তাতকৈ আনন্দৰ বা সৌভাগ্যৰ কথা আৰু নাই। আপোনাৰ আদেশ অনুসাৰে গুহাৰ দুৱাৰমুখত মই বহু সময়লৈকে অপেক্ষি আছিলোঁ। কিন্তু—গুহাৰ দুৱাৰমুখেদি যেতিয়া তেজৰ ঢল বৈ আহিল, আৰু আপোনাৰো কোনো উম-ঘাম নাপালোঁ, তেতিয়া এই তেজ আপোনাৰ দেহৰ বুলি ভাবি আৰু গুহাৰ দুৱাৰমুখ এচটা শিলেৰে বন্ধ কৰি মই গুচি আহিলোঁ। ৰজা হোৱাৰ সামান্যতম



ইচ্ছাও মোৰ নাছিল ; কিন্তু মন্ত্ৰীগণ আৰু প্ৰজাসকলৰ অনুৰোধ এৰাব নোৱাৰি ৰাজ-সিংহাসনত অধিষ্ঠিত হোৱাটো মোৰ পক্ষে বাধ্যতামূলক হৈ পৰিছিল। যি কি নহওক এতিয়া থলে-কঠিয়াই আঁটি গৈছে, গতিকে—সকলো পূৰ্ববৎ হৈ আছে। আপুনিয়েই কিষ্কিন্ধ্যাৰ ৰজা আৰু মই যুৱৰাজ। হে পিতৃতুল্য জেষ্ঠ্যভ্ৰাতা! মোক দয়া কৰি ভুল নুবুজিব।”

কিন্তু সুগ্ৰীৱৰ এনেবোৰ বিনয়-বচনলৈ বালীয়ে কাণসাৰকে নকৰা হ'ল। বালীয়ে তাত উপস্থিত বানৰসকলৰ আগত সমগ্ৰ ঘটনাৰ বৰ্ণনা এইদৰে দাঙি ধৰিলে :

'মায়াৰী ৰাক্ষসক বধিবলৈ প্ৰতিজ্ঞা কৰি মই মায়াৰীক খেদি থাকিলোঁ, তেতিয়া মোৰ লগত এই সুগ্ৰীৱো আছিল! মই নিজে নিজেই শপত খালোঁ যে— মায়াৰীক নবধি মই জলগ্ৰহণ নকৰোঁ, নোভতোঁ। মই—মায়াৰী সোমাই যোৱা গুহাৰ দুৱাৰমুখত এই সুগ্ৰীৱক গুহাৰ ভিতৰৰপৰা উভতি নহালৈকে বৈ থাকিবলৈ কৈ গুহাৰ ভিতৰলৈ সোমালোঁগৈ। গুহাৰ ভিতৰত দীৰ্ঘ সময় ধৰি যুঁজাৰ পাছতহে মই মায়াৰীক বধিবলৈ সক্ষম হ'লোঁ। তাৰ পাছত — মই গুহাৰপৰা ওলাই আহোঁতে দেখিলোঁ যে গুহাৰ দুৱাৰমুখ বিৰাট এচটা শিলেৰে বন্ধ। মই সুগ্ৰীৱক কিমান যে চিয়ঁৰি চিয়ঁৰি মাতিলোঁ! কিন্তু তিমানতে এই মহাশয়ে — গুহাৰ ভিতৰত মোক বন্ধ কৰি থৈ—ৰজা হোৱাৰ মনেৰে তাৰপৰা নোহোৱা হৈছেই। মই মোৰ সৰ্বশক্তিৰে গুহাৰ দুৱাৰমুখৰ সেই বিৰাট ,শিলচটা বহু কষ্টেৰে আঁতৰাই পুনৰ ৰাজধানী পালোঁহি!?

বালীয়ে ক্ৰোধত কঁপি কঁপি অকথ্য ভৎসৰ্না কৰি সুগ্ৰীৱক তেওঁৰ ৰাজ্যৰ সীমাৰপৰা বহিষ্কাৰ কৰিলে আৰু সুগ্ৰীৱৰ পত্নী ৰুমাক নিজৰ পত্নী কৰি ল'লে।

ক্ৰুদ্ধ বালীৰ ভয়তে থৰথৰিমান হৈ

সুগ্ৰীৱ ঋষ্যমূখ পৰ্বতলৈ পলাই গ'ল। হনুমান, জাম্বৱন্ত, মৈ আৰু দ্বিবিদ নামৰ বানৰ সুগ্ৰীৱৰ মন্ত্ৰীৰূপে সুগ্ৰীৱৰ লগ লাগি গ'ল।

এইদৰে, সুগ্ৰীৱৰ সৈতে বসবাস কৰি থকা কালছোৱাত হনুমান শ্ৰীৰামচন্দ্ৰৰ সৈতে পৰিচিত হৈছিল।

*



এদিন সুগ্ৰীৱে দুজন মানৱক তাত বিচৰণ কৰি থকা দেখা দেখা পালে। দুয়োজনৰ হাতত আছিল ধনু-কাঁড়। দুয়ো পম্পা সৰোবৰৰ তীৰত বিচৰণ কৰি আছিল। দেখাত দুয়োজনেই অতি সুন্দৰ। কিন্তু ইমান সুন্দৰ মানৱ দুজনক দেখি সুগ্ৰীৱ ভীত হৈ উঠিল।

সুগ্ৰীৱে ভাবিলে: বালী স্বয়ং ঋষ্যমূখ পৰ্বতলৈ আহিব নোৱাৰে, কিয়নো, ঋষ্যমূখলৈ অহামাত্ৰেই তেওঁৰ মৃত্যু হ'ব। সেই দেখি তেওঁ অৰ্থাৎ বালীয়ে মোক বধ কৰিবলৈ বোধ হয় এই দুজন মানৱক ইয়ালৈ পঠালে। এতিয়া মই ক'লৈ যাওঁ?

সুগ্ৰীৱৰ আমন-জিমন ভাব দেখি হনুমানে সুগ্ৰীৱক সুধিলে, "বালী স্বয়ং ইয়ালৈ কদাপি আহিব নোৱাৰে। তথাপিনো আপোনাৰ কিহৰ দুশ্চিন্তা ?"

"কথাটো ময়ো জ্ঞাত আছোঁ। পিছে সৌ মানৱ দুজনক দেখিছানে? সৌ যে—ধনু-কাঁড়-তলোৱাৰ আদি সমন্বিত মানৱ দুজনক যে বালীয়ে মোক বধ কৰিবলৈ পঠোৱা নাই সেই কথা নিশ্চয়কৈ কোৱা টান। এই দুজন মানৱ বালীৰ গুপ্তচৰো হ'ব পাৰে। শত্ৰুক নিচ্ছিন্ন কৰাৰ বাবে ৰজা-মহাৰজাসকলে বহু বিধৰ ষড়যন্ত্ৰত লিপ্ত হয়। বালী শৌৰ্য্যতো মহান, বুদ্ধিতো মহৎ। সেইহে, হে হনুমন্ত, মোৰ ইচ্ছানুসাৰে, তুমি এই মানৱ দুজনৰ ওপৰত তীব্ৰ-তীক্ষ্ণ লক্ষ্য ৰাখিবা, সিহঁতে কি সকামলৈ ইয়ালৈ আহিছে, সুধি-পুছি জানি ল'বা। পৰীক্ষা



কৰি চাবা—এই দুজন আমাৰ মিত্ৰনে শত্ৰু। তুমি এই দুজন পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত মোক সকলো বিবৰণ দিবাহি!" সুগ্ৰীৱে হনুমানক ক'লে।

সুগ্ৰীৱৰ কথা মতে হনুমান সেই মানৱ দুজনৰ কাষ চাপিল। হনুমন্তই ব্ৰহ্মচাৰীৰ ৰূপ ধাৰণ কৰি গৈছিল। হনুমানে মানৱ দুজনক বিনম্ৰতাৰে ক'লে, "মহাশয়, আপোনালোক ৰাজৰ্ষি, দেৱতা নে তপোধন—অনুগ্ৰহ কৰি ক'বনে? হে মহানুভৱ, আপোনালোক কোন? এই পম্পা সৰোবৰৰ তীৰলৈ কিয় আহিল? আপোনালোকৰ উপস্থিতিয়ে আমাৰ বনৰীয়া মৃগসমূহক ভীত-সন্ত্ৰস্ত কৰি তুলিছে। আপোনালোকৰ হস্তীৰ শুঁৰৰ দৰে হস্ত আৰু সুবিশাল বাহুৰে আপোনালোকৰ ক্ষাত্ৰধৰ্মিতাৰ চিনাকি দাঙি ধৰিছে। আপোনালোক কোনোবা ক্ষত্ৰিয় ৰাজপৰিয়ালৰপৰা আহিছেনে?"

এই মানৱ দুজনে হনুমানৰ প্ৰশ্নসমূহৰ কোনো উত্তৰ নিদিলে। তেতিয়া হনুমানে পুনৰ সেই দুজনক ক'লে, "বানৰ-ৰাজ সুগ্ৰীৱ হ'ল অতি ধৰ্মাত্মা, আৰু লগতে পৰাক্ৰমী। তেওঁৰ ককায়েকে এটা ভুল বুজাবুজিৰ ফলত তেওঁৰ ৰাজ্যৰপৰা বহিষ্কাৰ কৰিলে আৰু সেই কাৰণে তেওঁ কষ্টেৰে ইয়াত আছেহি। মোৰ নাম হনুমান। মই বানৰ-ৰাজ সুগ্ৰীৱৰ আজ্ঞাৰে ঋষ্যমূখ পৰ্বতৰপৰা আপোনালোকৰ খা-খবৰ ল'বলৈ আহিছোঁ। মই কামৰূপী, সেইহে মই ব্ৰহ্মচাৰীৰ বেশ ধাৰণ কৰি আহিছোঁ। সুগ্ৰীৱে আপোনালোকৰ সৈতে মিত্ৰতাৰ বন্ধনেৰে আবদ্ধ হ'ব খুজিছে।"

হনুমানৰ মুখে এই কথা শুনি মানৱ দুজনে পৰস্পৰলৈ অৰ্থপূৰ্ণভাবে চালে। এওঁলোকক কবন্ধই বানৰ-ৰাজ সুগ্ৰীৱৰ সৈতে মিত্ৰতাৰ বন্ধনেৰে আবদ্ধ হ'বলৈ কৈছিল বিশেষ এক কাৰ্য্যোদ্ধাৰৰ বাবে।

মানৱ দুজনৰ মাজত ডাঙৰজনে সৰু

জনক ক'লে, "আমি যিজনক বিচাৰি ইয়ালৈ আহিছোঁ—তেৱেঁই আমাক বিচাৰি দূত প্ৰেৰণ কৰিছে—এয়া আমাৰ পৰম সৌভাগ্যৰ কথা। তুমি এওঁৰ সৈতে কথা পাতিবানে ?"

তেতিয়া সৰুজনে হনুমানক ক'লে, "বানৰ-ৰাজ সুগ্ৰীৱৰ সদ্‌গুণৰ কথা আমি নুশুনা নহয়, শুনিছোঁ। প্ৰকৃতপক্ষে তেওঁক বিচাৰিয়েইহে আমি ইয়ালৈ আহিছোঁ। তোমাৰ মনোবাঞ্ছা আমি পূৰ্ণ কৰিম, সুগ্ৰীৱৰ সৈতে মিত্ৰতাৰ সম্পৰ্ক পাতিম।"

হনুমানে সুধিলে, "কিন্তু মহাশয়, আপোনালোকে কি কাৰ্য্য উপলক্ষে এই ভয়ংকৰ দণ্ডক অৰণ্যত সোমাইছেহি—জানিব পাৰোঁনে ?"

তেতিয়া ডাঙৰে সৰুজনক চকুৰে ইংগিত কৰিলে আৰু সৰুৱে হনুমানৰ আগত এই কাহিনী ক'লে :

'এওঁ হ'ল মহাৰাজ দশৰথৰ জ্যেষ্ঠপুত্ৰ ৰামচন্দ্ৰ। এওঁ ৰজা হোৱাৰ উপযুক্ত হোৱা সত্বেও পিতৃসত্য পালনৰ অৰ্থে বনবাসী হবলগা হৈছে। আৰু মই হ'লোঁ তেওঁৰ অনুজ লক্ষ্মণ। মোৰ মাতৃ-সদৃশা—এওঁৰ পত্নী সীতাদেৱীও আমাৰ লগ লাগি এই অৰণ্যলৈ বনবাসী জীৱন যাপিবলৈ আহিছিল। আমি এসময়ত অলপ আতৰ



হৈ থকাত কোনোবা এটা ৰাক্ষসে মোৰ মাতৃসমা সীতাদেৱীক অপহৰণ কৰি লৈ গ'ল। এই ৰাক্ষসটো যে কোন আমি ক'ব নোৱাৰোঁ। আন ৰাক্ষস এটাই আমাক ক'লে যে — এই ৰাক্ষসটোৰ সম্পৰ্কে বানৰ-ৰাজ সুগ্ৰীৱেহে আমাক বিশদ ক'ব পাৰিব। আমি আমাৰ কথা তোমাক ক'লোঁ। সুগ্ৰীৱৰ মিত্ৰতা আমাক লাগে। সুগ্ৰীৱেও যে ইয়াকে বিচাৰে বুলি তুমি কৈছা—সেয়া আমাৰ পৰম ভাগ্যৰ কথা।"

লক্ষ্মণৰ এই কথাৰ উত্তৰত হনুমানে ক'লে, "প্ৰকৃতপক্ষে — আমাৰ ৰজা



সুগ্ৰীৱেইহে আপোনালোকক বিচাৰি আহিব লাগিছিল। বালীয়ে তেওঁক ৰাজ্যৰপৰা বহিষ্কাৰ কৰিলে আৰু তেওঁৰ পত্নীকো অপহৰণ কৰিলে। সেই কাৰণে ৰজা সুগ্ৰীব খৰ বেদনাগধুৰ হৈ আছে। যি কি নহওক — সীতাদেৱীক বিচাৰি উলিউৱাত সুগ্ৰীৱে নিশ্চয় আপোনা-লোকক সহায় কৰিব। —আপোনালোক মোৰে সৈতে এতিয়াই তেওঁৰ ওচৰলৈ গমন কৰিবনে?"

ৰাম-লক্ষ্মণে হনুমানৰ কথাত সন্মতি প্ৰকাশ কৰাত ব্ৰহ্মচাৰীৰ ৰূপধাৰী হনুমানে তেওঁৰ বানৰ-ৰূপ ধাৰণ কৰিলে আৰু ৰাম আৰু লক্ষ্মণক দুই বাহুৰ ওপৰত বহুৱাই লৈ ঋষ্যমূখ পৰ্বতলৈ বুলি উৰা মাৰিলে।

কিন্তু সুগ্ৰীৱ ঋষ্যমুখ পৰ্বতত নাছিল। সুগ্ৰীৱ ভয়তে মলয় পৰ্বতলৈ গুচি গৈছিল।

মলয় পৰ্বতত সুগ্ৰীৱৰ সৈতে সাক্ষাৎ কৰি হনুমানে সুগ্ৰীৱক ক'লে, "এই অতিথি দুগৰাকী হ'ল যথাক্ৰমে ৰাম আৰু লক্ষ্মণ, ইক্ষাকু বংশৰ ৰজা দশৰথৰ পুত্ৰ। পিতৃ-আজ্ঞাত এওঁলোক এতিয়া বনবাসী। ৰামচন্দ্ৰৰ পত্নী সীতাদেৱীক কোনোবা এটা ৰাক্ষসে অপহৰণ কৰি লৈ যোৱাত এওঁলোক সম্প্ৰতি বিপাঙত পৰিছে। সীতাদেৱীক বিচাৰি উলিয়াবলৈ এওঁলোক তোমাৰ সহায় তথা মিত্ৰতা প্ৰাৰ্থী। এওঁলোকক সহায় কৰাঁ আৰু মিত্ৰতাৰ বন্ধনেৰে আবদ্ধ কৰাঁ।"

সুগ্ৰীৱে ৰামচন্দ্ৰৰ হাতখন দুয়োখন হাতেৰে সাবটি ধৰাত ৰামচন্দ্ৰই সুগ্ৰীৱক আঁকোৱালি ল'লে আৰু দুয়ো পবিত্ৰ মিত্ৰতাৰ বন্ধনেৰে দুয়োকো আবদ্ধ কৰিলে।

ৰামচন্দ্ৰই সুগ্ৰীৱক ক'লে, "হে মিত্ৰ সুগ্ৰীৱ, এতিয়াৰপৰা তোমাৰ সুখ মোৰ সুখ, আৰু তোমাৰ দুঃখও মোৰেই দুঃখ হ'ল।"

সুগ্ৰীৱে শালবৃক্ষৰ কোমল ঠাৰিত ৰামচন্দ্ৰক আৰু চন্দনবৃক্ষৰ কোমল ঠাৰিত



হনুমানক বহিবলৈ দিলে আৰু তাৰ পাছত ৰামচন্দ্ৰক বালী-ঘটিত কাহিনী সবিস্তাৰে ৰামচন্দ্ৰক বিবৰিলে।

সুগ্ৰীৱৰ বৃত্তান্ত শুনি ৰামচন্দ্ৰই ক'লে, "হে মিত্ৰ, তোমাৰ নিৰ্দোষী পত্নীৰ অপহৰণ-কাৰীক মই নিশ্চয়েই বধ কৰিম, এই কথা নিশ্চয় বুলি জানিবা।"

সুগ্ৰীৱে ৰামচন্দ্ৰক ক'লে, "হে ৰাম! তোমাৰ কৃপাত মই মোৰ ৰাজ্য আৰু মোৰ পত্নীকো ঘূৰাই পাম বুলি আশা কৰিছোঁ। এই কাৰণে বালী-বধ অপৰিহাৰ্য্য, আৰু বধকাৰ্য্য তুমিয়েই কৰিবা। পাছত ময়ো সীতাদেৱীক—পাতালতে থাকক বা স্বৰ্গতে— বিচাৰি উলিয়াম, এই কথাত সন্দেহ নাৰাখিবা। এতিয়া মোৰ মনত পৰিছে — সীতাদেৱীক মই দেখা পাইছিলোঁ। মোক আৰু হনুমান বানৰ-বীৰক দেখি তেওঁ তেওঁৰ আ-অলংকাৰ টোপোলা এটাত বান্ধি আমালৈ দলিয়াই দিছিল। সেই অলংকাৰখিনি নিশ্চয় তুমি চিনি পাবা।"

সুগ্ৰীৱে গুহা এটাৰপৰা আ-অলংকাৰৰ টোপোলা এটা লৈ আহিল আৰু শ্ৰীৰাম-চন্দ্ৰই সীতাদেৱীয়ে পিন্ধা অলংকাৰখিনি দেখা পাই তাত প্ৰায় অচেতনৰ দৰে হৈ পৰিল।

ৰামচন্দ্ৰই লক্ষ্মণক ক'লে, "লক্ষ্মণ, ৰাক্ষসটোৱে অপহৰণ কৰি লৈ যাওঁতে সীতাই আমাক সচিত কৰিবলৈ এই বিস্ময়কৰ কিন্তু বাস্তৱ উপায়কে অৱলম্বন কৰিছিল যেন পাইছোঁ।"

লক্ষ্মণে ক'লে, "মই যে তেওঁৰ শ্ৰীচৰণত নিতৌ নমস্কাৰ কৰিছিলোঁ—সেই চৰণৰ এই নেপূৰ মই মোৰ বক্ষত ধাৰণ কৰিম।"

ৰামচন্দ্ৰই সুগ্ৰীৱক ক্ষীণ কণ্ঠেৰে সুধিলে, "সীতাক সেই ৰাক্ষসটোৱে আকাশ পথেদি কোন দিশলৈ লৈ গ'ল, তুমি নিশ্চয় লক্ষ্য কৰিছিলা, হে মোৰ পৰম মিত্ৰ।"

যদি পায় কলিয়ে

কোনোবা এখন গাঁৱত এজন অতি বেয়া ধৰণৰ জমিদাৰ বাস কৰিছিল। জমিদাৰ ইমানেই বেয়া আছিল যে — আনকি ভিখাৰীহঁতো এওঁৰ ঘৰৰ কাষ নাচাপিছিল।

এবাৰ এই অঞ্চলত আকাল দেখা দিলে। এই অৱস্থাত গাঁৱৰ ৰাইজ জমিদাৰৰ কাষ চাপিল। জমিদাৰে কোনো ৰকমৰ সহায় নকৰা হ'ল।

কিন্তু জমিদাৰৰ শস্য-ভঁৰালত যে তৰহে তৰহে আৰু বস্তাই বস্তাই শস্য আছে— সেই কথা ৰাইজে নজনাকৈ নাছিল।

জমিদাৰে যেতিয়া একো নিদিয়া হ'ল, তেতিয়া হান চাউ নামৰ যুৱক এজনে জমিদাৰৰপৰা যেনেকৈয়েই নহওক শস্যৰ কিছুমান বস্তা সৰকাবলৈ মন মেলিলে।

হান চাউ জমিদাৰৰ বাৰীত থকা ডাঙৰ গছ এজোপাৰ তলত থিয় হ'লগৈ। গছজোপাৰ তলত থিয় হৈ হান চাউৱে গছৰ ওপৰৰ ফালে একেথিৰে চাই থাকিল। পেটুৰা মহাদেৰ জমিদাৰ ডাঙৰীয়াই টেঁটুলৈকে খাই উগাৰ ছাৰি বাৰীৰ ফালৰ দুৱাৰত থিয় হৈ দাঁত খৰিকিয়াই থাকোঁতে গছৰ ওপৰৰ ফালে মু কৰি গছৰ তলত থিয় হৈ থকা হান চাউক দেখা পালে। দেখি — জমিদাৰৰ মনত এক অজান সন্দেহই উক দিলে। তেওঁ চিঞৰি উঠিল, "কোন ঔ—তাত কি কৰিছা?"

হান চাউৱে জমিদাৰৰ চিঞৰলৈ ভ্ৰুক্ষেপ নকৰাকৈ একমনে-একদৃষ্টে গছজোপাৰ ডাল-পাতবোৰলৈ চায়েই থাকিল।

এইবাৰ জমিদাৰে কোঁ-কোঁৱাই আহি হান চাউৰ গাত আঙুলিৰে খোঁচ এটা

'চীনদেশৰ লোক-কথা'

মাৰি সুধিলে, "বোলোঁ!—মই যে চিঞৰি টেঁটু ফালিছোঁ—শুনা নাইনে কি? ইয়াত কি লাগে তোমাক?"

এঁ—? একো নালাগে. চৰাইৰ বাহ এটা—এইজোপা গছতে থাকিব লাগে দেখোন—। কালি মই এই গছজোপাত অগ্নিপক্ষী এটা দেখা পাইছিলোঁ। গতিকে—যদি এইজোপা গছতে সি বাহ সাজিছে, তাঁৰ সেই বাহত যাদু কাঠীও নিশ্চয় পাম। কথাটো—আপুনিও নিশ্চয় জানে। আঁ—উঁ—হয় হয়, সৌৱা—সৌ যে সেই অগ্নিপক্ষীৰ বাহটো।" হান চাউৱে ওপৰমুৱা হৈ চাই থাকি ক'লে।

"যাদু-কাঠী—মানে? যাদু-কাঠী মানে কি? মই দেখোন একো নাই বুজা।" জমিদাৰে ক'লে।

"যাদু-কাঠী মানে হ'ল—যাদুৰ কাঠী হেৰি। হেজাৰ বছৰত মাত্ৰ এবাৰহে এবিধ ফুল ফুলে, আৰু এই ফুলৰপৰা হয় ফল, সেই ফলৰ ভিতৰত থাকে এই কাঠী। সেই কাঠী অগ্নিপক্ষীয়ে—হয়, কেৱল এই অগ্নিপক্ষীয়েইহে সেই ফলৰ-পৰা ঠোঁটেৰে বুটলি আনি তাৰ বাহত ভৰাই থয়। তেতিয়া এই কাঠী হয় যাদু-কাঠী আৰু কাঠী হয় অদ্ভুত শক্তি-সম্পন্ন।" হান চাউৱে ক'লে।

"কেনেকুৱা অদ্ভুত শক্তি?"

"প্ৰথম কথা হ'ল—এই কাঠী মূৰৰ

ওপৰত থৈ দিয়াৰ লগে লগে আমি অদৃশ্য হ'ব পাৰিম আৰু তেতিয়া আমাৰ যি মন যায় তাকে কৰিব পাৰিম।"

"শুনা, মই তোমাক গুচি যাবলৈ কৈছোঁ, এই বাগান মোৰ, আৰু সেইহে—এই অদৃশ্য হোৱাৰ যাদুকাঠী তথা অগ্নিপক্ষীৰ বাহো মোৰ।" জমিদাৰে ক'লে।

"হয়নে? কথা তেন্তে এয়ে? পিছে শুনক—মই এই অগ্নিপক্ষীৰ যাদু-বাহ বিচাৰিও যেনেকৈ উলিয়াব পাৰিছোঁ, তেনেকৈ মন্ত্ৰযোগে অগ্নিপক্ষীৰ বাহত থকা যাদু-কাঠীৰ কাৰ্য্যকাৰিতাক নষ্টও কৰি থৈ যাব পাৰিম।" হান চাউৰে ক'লে।

তেতিয়া জমিদাৰে ক'লে, "শুনা, ৰ'বা। শুনা—মই তোমাক পঞ্চাছটা মুদ্ৰা দিম। তুমি এইটো নষ্ট নকৰি ইয়াৰপৰা গুচি যোৱা।"

"ইমান আপুৰুগীয়া বস্তু—কিয় মই ইমান সস্তাত এৰি দিম?" হান চাউৰে ক'লে, "আপুনি যদি মোক পঞ্চাছ বস্তা শস্য দিয়ে—তেতিয়া মই অগ্নিপক্ষীৰ যাদু-বাহ এৰি গুচি যাব পাৰোঁ।"

জমিদাৰ তেতিয়াহে পোন হ'ল, পঞ্চাছ বস্তা শস্য হান চাউক দিলে। হানে শস্যখিনি দুখীয়াহঁতৰ মাজত বিলাই দিলে।

ইপিনে জমিদাৰে তেওঁৰ চাকৰ এটাক গছৰপৰা অগ্নিপক্ষীৰ বাহটো—আচলতে যিটো আছিল টোকোৰাৰ বাহ—বুটলি



আনিবলৈ ক'লে, আৰু পাছত বাহটো লৈ পৰিবাৰৰ কাষ চাপি নধৰ-নপৰ লাগি ক'লেগৈ, "আজি কি হৈছে জানানে ?"

"কেনেকৈনো জানিম ?"

জমিদাৰ ডাঙৰীয়াই টোকোৰা চৰাইৰ বাহ তেওঁৰ কাযলতিৰ তলৰপৰা উলিয়াই আনি ক'লে "এইয়া! এইয়া হ'ল— যাদু-কাঠীৰ যাদু-বাহ!"

"যাদু-বাহ? এইটো দেখোন এটা টোকোৰাৰ বাহ।" পৰিবাৰে ক'লে।

জমিদাৰ ডাঙৰীয়াই সেই বাহটোৰ-পৰা খেৰ-কুটা উলিয়াই আনি মুৰৰ ওপৰত থৈ দিলে আৰু পৰিবাৰক সুধিলে, "মোক বাৰু দেখা পাইছানে তুমি ?"

"কিয় নাপাম?" পৰিবাৰে ক'লে।

"তাকে তো কৈছোঁ—। এতিয়াও পাইছানে দেখা?" জমিদাৰে পুনৰ সুধিলে।

পৰিবাৰে উতল কাঠি কৈ উঠিল, "নাই পোৱা। তুমি এতিয়া আঁতৰ হোৱা।"

জমিদাৰ তৎক্ষণাৎ অগ্নিপক্ষীৰ যাদু-বাহৰ কাৰ্যকাৰিতা পৰীক্ষা কৰিবলৈ ওলাল।

প্ৰথমতে জমিদাৰে এখন পুৰি-ভাজিৰ দোকানৰপৰা দুখনমান গৰম গৰম পুৰি দোকানীক নোকোৱাকৈয়েই খালে আৰু তাৰপৰা গুচি গ'ল। জমিদাৰে পাছত নিজেই দাম দিব বুলি ভাবি একো নক'লে দোকানীয়ে। জমিদাৰে ভাবিলে যে—দোকানীয়ে দেখা নাই, তেওঁ অদৃশ্য।

অলপ পাছত—এজন দোকানীয়ে তেওঁৰ দিনৰ বিক্ৰিৰ ধনৰ টোপোলাটো একাষত থৈ দোকান বন্ধ কৰি থাকোঁতে 'অদৃশ্য' জমিদাৰ ডাঙৰীয়াই ধনৰ টোপোলাটো উঠাই লোৱাত দোকানীয়ে চিঞৰি উঠিল আৰু অন্যান্য দোকানী আৰু লগতে বাটৰুৱাইতেও জমিদাৰক চোৰ বুলি ভাবি মাৰি ভৈয়াম কৰিলে।

পাছত জমিদাৰে উপলব্ধি কৰিলে কলিয়ে পালে হেকথা এনেকুৱাই হয়।

নেত্ৰদৰ্শী

শিৱপুৰী গাঁৱত এজন নতুন বৈদ্য অৰ্থাৎ কবিৰাজ আহিল। এই কবিৰাজৰ নাম নেত্ৰদৰ্শী। এওঁ দেখাই-মেলাই, কহনে-বহনে বৰ আকৰ্ষণীয়। নেত্ৰদৰ্শী যোত্ৰৰস্ত নহ'লেও নিঃসন্দেহে বিদ্যাৰস্ত।

নেত্ৰদৰ্শীয়ে গাঁৱৰ ৰাইজক কৈছিল: মই সকৰেপৰাই হিমালয়ত থাকি, তাত সিদ্ধপুৰুষসকলৰ আলপৈচান ধৰি, তেওঁসৱৰ মন জয় কৰি, এই নতুন চিকিৎসা-বিধি প্ৰাপ্ত হৈছোঁ। এই নতুন চিকিৎসা-বিধিৰ সহায়ত—বেমাৰীক বিশেষ একো পৰীক্ষা-নিৰীক্ষা নকৰাকৈ—মাত্ৰ বেমাৰীৰ নেত্ৰলৈ অৰ্থাৎ নেত্ৰ মানে—যাক ৰাইজে চকু বুলি কয়—সেই চকুলৈ চায়েই সঠিককৈ ক'ব পাৰোঁ যে বেমাৰীক কি বেমাৰে ধৰিছে। তাৰ পাছত নিদানৰ বিধিৰে বিধোবিধ ঔষধ দিওঁ'।"

এই শিৱপুৰী গাঁৱত আন এজন বৈদ্য অৰ্থাৎ কবিৰাজ আছিল। এসময়ত গাঁৱৰ তথা আশপাশৰ গাঁৱৰো ৰাইজে এইজন কবিৰাজৰ বাহিৰে আন কোনো বৈদ্যৰ নামো শুনা নাছিল। শিৱপুৰীৰ এইজন পুৰণিদিনীয়া কবিৰাজৰ নাম সত্যধৰ্ম। তেওঁ অৰ্থাৎ সত্যধৰ্মই বেমাৰীক বিভিন্ন ভাবে পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্ততহে ঔষধ-পথ্যৰ নিৰ্দেশ দিছিল।

কিন্তু গঁৱত নেত্ৰদৰ্শীৰ আবিৰ্ভাৱৰ লগে লগে সত্যধৰ্ম কবিৰাজৰ ওচৰলৈ তাক প্ৰায় কেৰেই নহা হ'ল। নেত্ৰদৰ্শীৰ যেতিয়া জয় জয় ময় ময়, তেতিয়া সত্যধৰ্মৰ সকলোতে ক্ষয়।

কবিৰাজ সত্যধৰ্মই এই বিষয়ে বহু



দিন ধৰি ভাবিলে, কেনেকৈনো কেৱল চকুযুৰি চায়েই নেত্ৰদৰ্শীয়ে বেমাৰীৰ কথা বেমাৰৰ সকলো কথা কৈ দিয়ে ?

কথাটো সত্যধৰ্ম কবিৰাজে গাঁৱৰ দুই-চাৰি মথিয়নৰ আগতো ব্যক্ত কৰাত তেওঁ-লোকে কথাটো নেত্ৰদৰ্শীক ক'লে।

তেওঁলোকৰ কথা শুনি নেত্ৰদৰ্শীয়ে তাচ্ছিল্যৰ হাঁহি মাৰি ক'লে, "গাঁৱৰ আগৰদিনীয়া বেজ আৰু নাদৰ ভেকুলী—একেই। চিকিৎসা-শাস্ত্ৰৰ দুই-চাৰি পাত লুটিয়াই-বগৰায়েই নিজক চিকিৎসক বুলি জাহিৰ কৰাহঁতেই এনেকৈ ক'ব পাৰে। মোৰ কথা বেলেগ। মই সকৰে পৰাই হিমালয়ত থাকি আচল সিদ্ধ-পুৰুষ সকলৰপৰা এই বিদ্যা প্ৰাপ্ত হৈছোঁ। কোনোবা যোগ্য শিষ্য পাওঁ যদি—এই বিদ্যা শিকাই থৈ যাম।"

এইদৰে কিছুদিন পাৰ হ'ল। কবিৰাজ সত্যধৰ্মৰ এতিয়া বৰ দুৰ্দশাগ্ৰস্ত অৱস্থা। প্ৰকৃতপক্ষে কোনো বেমাৰীয়েই আৰু তেওঁৰ কাষ নচপা হ'ল।

অৱস্থা যেতিয়া মুঠতে এনেকুৱা হ'ল তেতিয়া সত্যধৰ্মই নেত্ৰদৰ্শীৰ চিকিৎসা-বিধিৰ প্ৰত্যক্ষ পৰীক্ষা ল'বলৈ এটা উপায় স্থিৰ কৰি, যথাসম্ভৱ ছদ্মবেশ ধাৰণ কৰি আৰু এজন বুঢ়া মানুহক লগত লৈ এনিশা নেত্ৰদৰ্শীৰ ঘৰৰ দুৱাৰত খটখটালেগৈ। লগে লগে নেত্ৰদৰ্শীয়ে দুৱাৰ খুলি দিলে।

সত্যধৰ্মই নেত্ৰদৰ্শীক ক'লে, "ডাঙৰীয়া এওঁ হ'ল মোৰ বুঢ়া খুড়াদেউ। সৌ সিদিনালৈকে শৰীল-স্বাস্থ্য ভালেই আছিল। নিজৰ সকলো কাম নিজেই কৰিছিল। কিন্তু—হঠাৎ কি যে হ'ল—খোৰা-বোৰা, টোপনি আদি সকলোতে আউল লাগি গ'ল। আনকি—মাত-বোলো হঠাৎ বন্ধ হৈ একেবাৰে বোবা হেন হ'ল, আৰু—"

নেত্ৰদৰ্শীয়ে হাত দাঙি সত্যধৰ্মক ৰখাই ক'লে, "মোৰ ওচৰত লৈ আহিছাই

যেতিয়া—বেমাৰ কি হৈছে-নহৈছে—ইমানকৈ নক'লেও হ'ব! মোৰ চিকিৎসা হ'ল—'নেত্ৰ-চিকিৎসা', আৰু মই হ'লোঁ নেত্ৰদৰ্শী। বুইছা? ঠিক আছে—তুমি বেমাৰীক সৌ ঢাৰিখনৰ ওপৰত লাহেকৈ শোৱাই দিয়া।"

সত্যধৰ্মই তেওঁৰ বুঢ়া খুড়াকক ঢাৰিৰ ওপৰত শোৱাই দিয়াৰ পাছত নেত্ৰদৰ্শীয়ে বুঢ়াৰ চকুলৈ কিছু সময় ধৰি চালে আৰু তাৰ পাছত ক'লে, "তোমাৰ খুড়াদেউৰাৰ জীৰ্ণকোষ দুৰ্বল হ'ল, তাৰ ফলত খাদ্যাদি জীণ নোযোৱা হ'ল আৰু এই কাৰণেই মাত-বোলো বন্ধ হ'ল। মই সাধাৰণ দৰৱাই নিদিওঁ, হিমালয়ৰ উত্তৰ ফালৰপৰা বহু কষ্টেৰে বুটলি অনা যি দৰৱাই দিম—তাৰে এই বুঢ়াই আগৰদৰেই বোল-মাত কৰিব পাৰিব, আৰু—"

এনেতে সত্যধৰ্মৰ বুঢ়া খুড়াক শোৱাৰপৰা উঠি বহিল আৰু নেত্ৰদৰ্শীক ক'লে, "মই এতিয়াই তোমাক বোল-মাত কৰিব পাৰিম। তোমাৰ নেত্ৰ-চিকিৎসাৰ কিমান যে গুণ! হেই বেটা খেকাৰখোৱা নেত্ৰদৰ্শী, মই যে জনমৰেপৰা অন্ধ, জানিছনে নাই? মোৰ নেত্ৰত তুমি কি দেখিছিলাহে নেত্ৰদৰ্শীডাল?"

শুনি নেত্ৰদৰ্শীৰ মুখখন শেঁতা পৰিল। সত্যধৰ্মই ক'লে, "শুনা, মই হ'লোঁ এই গাঁৱৰে সত্যধৰ্ম। এয়া তোমাৰ ভাগ্যৰ কথা যে—কোনো বেমাৰী তোমাৰ হাতত মৰা নাই। কিয়নো বেমাৰীক কোনো বেজে ভাল কৰি নোতোলে, বেমাৰী নিজে নিজেই আচলতে ভাল হয়। যি হওক—জীয়াই থাকিবৰ আৰু ঢেৰ বাট আছে। নেত্ৰ-পাত কৰা—উপায় পাবা, নহ'লে যে থেকেৰা-ঠহা খাবা, বেজ বোলালেই বেজ নহয় হাড়ে-হিমজুৰে জানি যাবা।"

পাছদিনা ৰাতিপুৱাৰেপৰাই নেত্ৰদৰ্শীক তাত আৰু দেখা নগৈছিল।

অতি বিনয়

সৰ্বোত্তমদেৱ আছিল সুশীলে দেশৰ ৰজা। এদিন হঠাৎ তেওঁৰ ধাৰণা হ'ল যে তেওঁৰ অনুচৰ-সহচৰ-দেহচৰ-কৰ্মচাৰীইঁতৰ মাজতে শত্ৰুদেশৰ গুপ্তচৰ আছে। প্ৰতিবেশী ৰাজ্যৰ ৰজা নিদ্ৰাপ্ৰিয়ই সৰ্বোত্তমদেৱে ভিতৰুৱা কথা কিছুমিনি জনাৰ কথা জানি সৰ্বোত্তমদেৱে এই ধাৰণা কৰিছিল।

প্ৰথমতে, ৰজা সৰ্বোত্তমে নিজেই এই মিত্ৰৰূপী শত্ৰুৰ গুপ্তচৰ বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁৰদ্বাৰা এই কাম নহ'ব বুলি উপলব্ধি কৰি তেওঁ তেওঁৰ বিদূষক চাৰুহাসক কথাটো ক'লে।

চাৰুহাসে বাৰু হাঁহি ক'লে, "মহাৰাজ এই কাম—জলৱৎ তৰলম্।"

সৰ্বোত্তমদেৱে সকলো অনুচৰ সহচৰ কৰ্মচাৰীক ৰাজসভালৈ মতাই পঠালে।

চাৰুহাসে ক'লে, "আপোনালোকে জানেই যে—ৰাজ্যৰ শাসনকাৰীয়ে কেতিয়াবা কঠিন সমস্যাৰ সন্মুখীন হয়। ৰাজ্যৰ ৰজাক পাৰ্যমানে সহায় কৰা আমাৰ কৰ্তব্য। আপোনালোক—সকলোটিয়েই ৰাজভক্ত। ৰাজভক্তিৰ প্ৰমাণ দিবলৈ আপোনালোকে মহাৰাজৰ চৰণ স্পৰ্শ কৰি প্ৰণাম কৰক আৰু সহায় কৰাৰ প্ৰতিজ্ঞা কৰক আৰু লগতে মহাৰাজক সাতবাৰকৈ প্ৰদক্ষিণ কৰক।"

তেতিয়া ৰাজসভাত সৰ্বমুঠ ছজন ৰাজকৰ্মচাৰী উপস্থিত আছিল। এই ছজনৰ মাজৰপৰা দুজন লগে লগে মহাৰাজৰ ভৰিত দীঘল দি পৰিল আৰু সৰ্বপ্ৰকাৰে সহায় কৰাৰ প্ৰতিজ্ঞা কৰাৰ অন্তত মহাৰাজৰ সিংহাসনৰ চাৰিওফালে

ৰামপ্ৰসাদ পাঠক

সাতবাৰকৈ প্ৰদক্ষিণ কৰিলে।

কিন্তু আন এজন ৰাজকৰ্মচাৰীও আগুৱাই নহাত বিদূষক চাৰুহাসে ক'লে, "আপোনালোকৰ কথানো কি! আপোনালোকে ৰাজভক্তি প্ৰদৰ্শন নকৰিবনে?"

কোনেও কোনো উত্তৰ নিদিলে।

তেতিয়া চাৰুহাসে উগ্ৰ খং উঠাৰ ভাও জুৰি ক'লে, "মহাৰাজৰ চৰণস্পৰ্শ কৰি প্ৰতিজ্ঞা কৰিবলৈ কৈছোঁ। সোনকাল কৰক। আন বহুতো বৈ আছে।"

তেতিয়া অতি অনিচ্ছাকৃতভাবে এই চাৰিজনো আগুৱাই আহিল আৰু মহাৰাজৰ ভৰিত দীঘল দি পৰিবলৈ প্ৰস্তুত হ'ল। আৰু ঠিক সেই সময়ত চাৰুহাসে এওঁলোকক ৰখালে।

চাৰুহাসে মহাৰাজক ক'লে, "মহাৰাজ, যি দুজনে আপোনাৰ ভৰিত দীঘল দি পাৰি সাতপাক মাৰিলে, সেই দুজনেই হ'ল ৰাজদ্ৰোহী শত্ৰুৰ গুপ্তচৰ।"

মহাৰাজে অবাক হৈ চাৰুহাসক সুধিলে, "এই দুজনক—কিয় ৰাজদ্ৰোহী শত্ৰুৰ গুপ্তচৰ বুলি কৈছা!"

চাৰুহাসে ক'লে, "মহাৰাজ, কপটইঁতেই নিজৰ চৰিত্ৰক আনৰ চকুৰ আঁৰ কৰিবলৈ অতি বিনয় প্ৰদৰ্শন কৰে। বিনয় প্ৰদৰ্শনৰ কোনো সুযোগ ইহঁতে নেৰে। কিয়নো—সিহঁতৰ আচল চৰিত্ৰ যাতে কদাপি ওলাই নপৰে, তাৰ বাবে ইহঁতে আনকি সৰু-সুৰা কথাতো লক্ষ্য ৰাখে।"

"বাৰু, বুজিলোঁ। কিন্তু সেই চাৰিজনৰ কথা তেন্তে কি!" ৰজাই তেওঁৰ বিদূষক চাৰুহাসক পুনৰ সুধিলে।

বিদূষক চাৰুহাসে ক'লে, "এওঁলোকেই হ'ল প্ৰকৃত ৰাজভক্ত। যিসকলৰ স্বভাৱ-চৰিত্ৰ প্ৰকৃততেই পৰিচ্ছন্ন, সিসকলে নিজক সৎ বোলাবলৈ নিজেই চেষ্টা কৰাৰ কোনো আৱশ্যকতা নাই। আনৰ সমুখত নিজৰ সম্বন্ধে কোনো সৎ ব্যক্তিয়েই প্ৰদৰ্শনী নাপাতে। প্ৰকৃত সৎ হ'লে

এনেবোৰ কৃত্রিম ভক্তিৰ প্রদর্শনীত লাজহে অনুভৱ কৰে। আৰু সেই কাৰণে, এই চাৰিজন প্রকৃত সচ্চৰিত্র ৰাজকর্মচাৰীয়ে অযথা আপোনাৰ চৰণস্পর্শ কৰি প্রতিজ্ঞা কৰাত তথা নিজৰ নিজৰ ৰাজভক্তিৰ চূড়ান্ত প্রমাণ দিবলৈ সাতবাৰকৈ আপোনাক হাস্যকৰভাবে প্রদক্ষিণ কৰাতো অস্বস্তি বোধ কৰিছিল। প্রকৃত সৎ ব্যক্তিয়ে ৰাজভক্তি তথা তেওঁৰ সততাৰ প্রমাণ প্রকাশ কৰিবলৈ লোকৰ সমুখত নিজক জাহিৰ কৰিবলৈ নিবিচাৰে। যিসকলৰ চৰিত্র নিষ্কলুষ, বিসকলৰ চৰিত্রৰ ৰাজহাড়ডাল যথেষ্ট টান আৰু পোন, তেওঁলোকে এনেবোৰ অস্বাভাৱিক কার্য্যত স্বাভাৱিকতেই অসম্মান বোধ কৰিব। এই বিষয়ে এক অতি সুন্দৰনীতি-বচনো আছে "অতি বিনয়ম্ ধূর্ত লক্ষণম্। এই বিষয়ে আৰু অধিক কোৱাৰ আৱশ্যকতা নাই।"

চাৰুহাসৰ কথাৰ যাথার্থ্য মহাৰাজ সর্বোত্তমে উপলব্ধি কৰিলে। মহাৰাজে তেওঁৰ গুপ্তচৰ বাহিনীৰ প্রধানক মতাই অনালে আৰু এই দুজন গুপ্তচৰ হয়নে নহয়, যদিহে গুপ্তচৰ—কোন দেশৰ গুপ্তচৰ, ইয়াৰপৰা কি কি সম্বাদ সংগ্রহ কৰি শত্রুদেশলৈ পঠাইছে আৰু কেনেকৈ পঠাইছে—ইত্যাদিৰ সবিশেষ উলিয়াবলৈ টানি আদেশ দিলে।

মহাৰাজ সর্বোত্তমৰ গুপ্তচৰ-বাহিনীৰ প্রধানে এই দুজন অতি বিনয়ীক তথা অতি ৰাজভক্তক আছুতীয়া কোঠা এটালৈ লৈ গ'ল আৰু তাত বিভিন্নভাবে জেৰা কৰি অনকি কচুৰা ধোলাই (অর্থাৎ কচুৰা নামৰ বিশেষ ধৰণৰ প্রহাৰ) দি জানিব পাৰিলে যে এই দুজন হ'ল আচলতে চুবুৰীয়া ৰাজ্যৰ ৰজা নিদ্রাপ্রিয়ৰ গুপ্তচৰ।

মহাৰাজ সর্বোত্তমে এই গুপ্তচৰ দুটাক ৰাজ্যৰপৰা বহিষ্কৃত কৰি বিদূষক চাৰুহাসক যথোচিত পুৰস্কৃত কৰিলে।

পশুৰাজ সিংহই ঘণ্টাইপ্ৰতি ৪০ মাইল (৬৪·৩৭ কি. মি)
লৈকে গতি ল'ব পাৰে আৰু ৪০ ফুট (১২ মিটাৰ)
পশুৰাজ
লৈকে জঁপিয়াব পাৰে। এটা বনবীয়া সিংহক সপ্তাহে
প্ৰতি ২৩৮ পাউণ্ড (১০৮ কে. জি.) মাংস লাগে।
প্ৰাণীজ উপনিবেশ
পোৰ্টুগিজ 'ম্যান অব ওৱাৰ' বাস্তৱত হ'ল
এখন প্ৰাণীজ-উপনিবেশ। এই উপনিবেশ
প্ৰাণীজ-দেহতন্তুৰদ্বাৰা নিৰ্মিত। এই প্ৰাণীসমূহ
হ'ল ঘাইকৈ 'পোৱাল' আৰু আৰু এইবিলাকৰ
মাজত 'ফ্লেট' হ'ল প্ৰধান প্ৰাণী। এই প্ৰাণীজ-
উপনিবেশ দীঘলে ৮—১০ ইঞ্চি। এই উপনিবেশৰ
প্ৰতিটি প্ৰাণীয়েই আপোনা-আপুনি খাদ্য পোৱা হয়!
১৯২০ চনৰপৰা নিউইয়ৰ্ক নগৰৰ 'ব্ৰংকছ চিৰিয়া-
খানা'ৰ কৰ্তৃপক্ষই ৩০ ফুটতকৈও ৯ (মিটাৰ)
দীঘল সাপ এটা আনি দিব পাৰিলে
১৫০০০ হেজাৰ ডলাৰ পুৰস্কাৰ প্ৰদান
কৰিব বুলি ঘোষণা জাৰি কৰি থৈছে।
কিন্তু অদ্যাপি কাকো এই পুৰস্কাৰ
দিবলগা হোৱা নাই!
নিদিবৰ দেওবাৰ!



Chandamama Toytronix Private Limited, Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras 600 026
Mudra.M CTPL 4093

ফ'টো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯০ চনৰ ডিছেম্বৰৰ সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ অক্টোবৰ মাহৰ ১৫ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯০ চনৰ অগাস্ট মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ছুটীৰ শেষত খেলা

দ্বিতীয় ফটো : এয়ে হাটৰ বেলা

পুৰস্কাৰ প্ৰাপক : ৰশ্মি বৰা, ৰেড ক্ৰছ ৰ'ড, শিৱসাগৰ।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ

অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে ৮৭·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ

ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

Ta dum, They is here
Oops! Kiddy grammar sure is catchy—Ya, they are here.
Bow Wow 'n' Floppy the doggies (wuff! wuff!), Jumbo the elephant, Wobbit the rabbit, Teddy 'n' Sporty your bear buddies, the mouse of your house—Squeeks, not to mention Flipper the dolphin 'n' Bunny with the Twins. They are all part of the CUDDLES family. And hang on—there's more to come.
The one thing we didn't do while making our toys was fool around. We left that entirely for your kid to do. Come, check us out.
What stuffing to use, what shape to give, which colour to use...... We've spent long months in designing and crafting the toys which can take on the toughest torture test ever—childhandling. To ensure that they're safe.
CUDDLES
CHANDAMAMA TOYTRONIX
in collaboration with Sammo Corporation, S.Korea
Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras-600 026.

মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
nutrine
COOKIES
nutrine
COOKIES
লৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/9090/Ass